www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, DECEMBER 12, 2024 ■ বৃহস্পতিবাৰ, ২৬ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৯ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাজ্যৰ ভিন্ন প্ৰান্তত দুৰ্ঘটনাত হতাহত তিনি

ই-সংবাদ, ১১ ডিচেম্বৰঃ ৰাজ্যৰ ভিন্ন প্ৰান্তত আজি একাধিক পথ দুৰ্ঘটনা সংঘটিত হয়। ৬ পৃষ্ঠাত চাওক

# নামনিৰ ৩ সমষ্টিৰ পিছত এইবাৰ উজনিতো সমষ্টিক লৈ অগপৰে বিজেপিৰ সংঘাত

## পোনাকণক প্ৰত্যাহ্বান বিনোদ হাজৰিকাৰ



ই-সংবাদ, চাবুৱা-লাহোৱাল, ১১ ডিচেম্বৰঃ কেইবাগৰাকী অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতাই বিজেপিয়ে মিত্ৰতাৰ ধৰ্ম পালন নকৰাৰ লগতে মৰ্যাদা নিদিয়াৰ অভিযোগ উত্থাপন কৰি ২০২৬ৰ শেষাংশ ৬ পৃষ্ঠাত

## ৰাজনীতি আৰু পৰিৱৰ্তিত সমাজ

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম

অসমীয়া সমাজ, ভাৰতীয় সমাজ সকলো সলনি হৈছে। আমি ভাৰতীয় পৌৰাণিক ইতিহাসৰ চৰ্চা কৰি শেষাংশ ২ পৃষ্ঠাত


## ৰাজীৱ ভৱনলৈ অহা নাই জ্যোতিষী

# ৯০ লাখ ভোটৰ অংক প্ৰদেশ কংগ্ৰেছৰ

ই-সংবাদ, ১১ ডিচেম্বৰঃ মূল্যবৃদ্ধি, কৰ-কাটলৰ ভৰত অসমৰ জনগণ ককবকাই থকাৰ সময়তে কংগ্ৰেছক লৈ জ্যোতিষীয়ে ভৱিষ্যদ্বাণী কৰাৰ বাতৰিয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চৰকাৰ গঠনৰ বাবে কংগ্ৰেছৰ মুৰব্বীয়ে ৰাজীৱ ভৱনলৈ জ্যোতিষীক মাতি নিয়া বুলি শেষাংশ ৩ পৃষ্ঠাত

## ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদনত উদ্বেগজনক তথ্য

# ৰাজ্যৰ নগৰ-চহৰ সৰ্বত্ৰে বৃদ্ধি নিবনুৱা




ই-সংবাদ বিশেষ, ১১ ডিচেম্বৰঃ ৰাজ্য চৰকাৰে ১ লাখ নিবনুৱাক চাকৰি প্ৰদান কৰিছে বুলি ঢাক-ঢোল বজাই থকাৰ সময়তে পোহৰলৈ আহিছে সম্পূৰ্ণ শেষাংশ ৭ পৃষ্ঠাত

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## মই উৎফুল্লিত হৈছোঃ লুইত

# বৰ্মনৰ বিৰুদ্ধে ডিচি বৰ্ণালীৰ গোচৰ



ই-সংবাদ, ১১ ডিচেম্বৰঃ ৰজত কমল বঁটা প্ৰাপ্ত ছবি নিৰ্মাতা, ব্যৱসায়ী লুইত কুমাৰ বৰ্মন আৰু নলবাৰীৰ জিলা আয়ুক্ত বৰ্ণালী শেষাংশ ৫ পৃষ্ঠাত



# শিল্পী পংকজ শৰ্মাৰ দেহাৱসান

ই-সংবাদ ব্যুৰ', নলবাৰী, ১১ ডিচেম্বৰঃ ৰাজ্যখনৰ যশস্বী তথা নিভাজ সন্তৰবাদক, আকাশবাণী আৰু শেষাংশ ৪ পৃষ্ঠাত

# মাজুলীৰ গড়মূৰত নিশা আৰক্ষীৰ বাহনত অগ্নিসংযোগ



## ছাই হ'ল দুখন গাড়ী

ই-সংবাদ, মাজুলী, ১১ ডিচেম্বৰঃ মাজুলীৰ গড়মূৰ আৰক্ষী থানাত যোৱা নিশা কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰি জ্বলাই দিলে দুখনকৈ শেষাংশ ৪ পৃষ্ঠাত


# ‘কা’ আন্দোলন, আজি পঞ্চ শ্বহীদৰ ৫ বছৰ সম্পূৰ্ণ

## পুনৰ সৰৱ হ'ল অখিল গগৈ

ই-সংবাদ, ১১ ডিচেম্বৰঃ ‘কা’ আন্দোলনৰ ভৰপক সময় আছিল ২০১৯ চনৰ ১২ ডিচেম্বৰ। ১২ ডিচেম্বৰত সদনত ‘কা’ নাগৰিকত্ব সংশোধনী শেষাংশ ৫ পৃষ্ঠাত

## পুৱাই হাজাৰ হাজাৰ লোকৰ ৰেলপথ অৱৰোধ

# কমতাপুৰৰ দাবীৰে কঁপালে অসম-বংগ সীমান্ত



ই-সংবাদ, ১১ ডিচেম্বৰঃ পুনৰ সুকীয়া কমতাপুৰ ৰাজ্যৰ দাবীত অসম-বংগ সীমান্তত আৰম্ভ হৈছে জোৰদাৰ শেষাংশ ৩ পৃষ্ঠাত

# আধাৰ কাৰ্ড সন্দৰ্ভত কঠোৰ ৰাজ্য চৰকাৰ

ই-সংবাদ, ১১ ডিচেম্বৰঃ আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটৰ বৈঠক অনুষ্ঠিত হয়। কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজনীতি আৰু পৰিৱৰ্তিত সমাজ

আছোঁ সঁচা কিন্তু সমান্তৰালভাৱে আমাৰ অৰ্থনৈতিক কাৰ্যকলাপে আমাৰ সমাজখনত কল্যাণকামী ৰাষ্ট্ৰৰ পৰা পুঁজিবাদী ৰাষ্ট্ৰলৈ পৰিৱৰ্তিত কৰি নিছে। আপাত দৃষ্টিত ৮০ কোটি মানুহক প্ৰধানমন্ত্ৰী অন্ন যোজনাৰ জৰিয়তে অন্নৰ যোগান ধৰি আমি কল্যাণকামী ৰাষ্ট্ৰৰ পৰিচয় অক্ষুণ্ণ ৰাখিছোঁ, পাছে দেশৰ অৰ্থনীতিত ধনীক শ্ৰেণী আৰু দৰিদ্ৰৰ মাজৰ ৰেখাডাল দিনে দিনে যে মোটা হৈ গৈছে সেই কথাটো উপলব্ধি কৰিবলৈ সক্ষম হোৱা নাই।

এনে হোৱাৰ কাৰণ এটাই, বৰ্তমান সমাজত জনমত গঠনত নেতাৰ লগতে মিডিয়াই সমানেই মনোনিৱেশ কৰিছে, তাৰ ফলত প্ৰকৃত (বস্তুনিষ্ঠ) কথাবোৰ চৰ্চা হোৱাৰ সলনি জনপ্ৰিয় কথাবোৰ বেছি চৰ্চিত হৈ পৰিছে।

শেহতীয়া খবৰ কাকতৰ বাতৰি মতে (ৰিজাৰ্ভ বেংকৰ বাৰ্ষিক প্ৰতিবেদন) ২০২৪ চনৰ মাৰ্চ পৰ্যন্ত অসম চৰকাৰে ১ লাখ ৫০ হাজাৰ টকাৰ অধিক ঋণ গ্ৰহণ কৰিছে। প্ৰতিবছৰে এই ঋণৰ বোজা ৰাজ্যবাসীৰ মূৰত বৃদ্ধি হৈ গৈ আছে।

এই ঋণৰ বিনিময়ত ২০১৬-১৭ বিত্তীৰ বৰ্ষত দিয়া ২,৯৬৪ কোটি টকাৰ সুদ ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮,৮১৫ টকা পাইছেগৈ। অৰ্থনীতিৰ অ-আ-ক-খ জনাসকলে জানে যে ঋণ ল'লে সুদ দিব লাগে, আৰু সুদ দিলেও মূলধনী ৰাশিৰ (Principal Amount) ধনো পৰিশোধ কৰিব লাগিব। গতিকে সকলো নাগৰিকে বুজা উচিত যে ৰাজ্য চৰকাৰে সুদ দি আছে ভাল কথা, কেন্দ্ৰীয় পুঁজিৰ আৱণ্টনেৰে ৰাজ্যৰ আন্তঃগাঁথনিৰ কামো কৰি আছে কিন্তু তাৰ সমান্তৰালকৈ ৰাজহ বৃদ্ধিৰে ঋণ পৰিশোধ কৰাত অধিক গুৰুত্ব দিয়াতকৈ যেন চৰকাৰৰ সফলতাৰ প্ৰচাৰত অধিক মনোনিৱেশহে কৰি আছে। দৈনিক সংবাদ মাধ্যমত আমি বজাৰ অৰ্থনীতি, সমাজ অৰ্থনীতিৰ সলনি পৰিচয় সংকট, ইছলামভীতি, ব্যক্তি বন্দনাৰ ওপৰত অধিক চৰ্চা দেখিবলৈ পাইছোঁ।

মন কৰিবলগীয়া কথা এয়াই যে, সমাজত জনমত গঠন কৰা ধৰণটো এতিয়া সলনি হৈছে। পূৰ্বতে মানে ইংৰাজৰ পৰা স্বাধীনতা প্ৰাপ্তি বা অন্য সামাজিক আন্দোলনবোৰত (৯০ৰ দশকৰ আগলৈ) ব্যক্তি নিঃস্বাৰ্থ আৰু সামাজিক স্বাৰ্থ জড়িত হৈ কাম কৰিছিল যদিও এতিয়া সেইবোৰ নাই। বস্তুনিষ্ঠ চিন্তা আৰু সামাজিক ভোগবিলাসিকতাই সকলোতে স্বাৰ্থণ্বেষী উদ্দেশ্য লৈ আনিছে। আমাৰ সমাজব্যৱস্থা দ্ৰুতভাৱে সলনি হৈছে। আপোনালোকে এই কথাটো মন কৰেনে যে অসমৰ সংবাদ জগতৰ সৈতে জড়িত হৈ থকা ব্যক্তিসকলে কিয় সামাজিক মাধ্যম, বাতৰি কাকতত দুৰ্নীতি বা সামাজিক সমস্যাক লৈ প্ৰবন্ধ/নিবন্ধ নিলিখে? ইয়াৰ সলনি কেতবোৰ মুষ্টিমেয় ব্যক্তিয়েহে কথাবোৰ লিখি থাকে।

ইয়াৰ একমাত্ৰ কাৰণ হৈছে অৰ্থনীতি। সংবাদ মাধ্যমৰ মানুহবোৰ দিনে-নিশাই বাতৰিৰ লগত জড়িত হৈ থাকে। সম্পূৰ্ণকৈ নহ'লেও তেওঁলোকে সমাজ-ৰাজনীতিত চলি থকা প্ৰায়বোৰ অনিয়ম-অনীতি বুজে। কিন্তু তেওঁলোকে এইবোৰ প্ৰকাশ কৰিব নোৱাৰে বা সমাজক সচেতন কৰিব নোৱাৰে কিয়নো তেওঁলোক হৈছে দৰমহাভোগী। জীৱন আৰু মাহেকৰ বাজেট দৰমহাৰ ওপৰত নিৰ্ভৰশীল। গতিকে পুঁজিপতি চিন্তাৰে পৰিচালিত মালিক বা সম্পাদকক ক্ষুণ্ণ কৰি তেওঁলোক সমাজ সচেতক হ'ব নোৱাৰে।

অসমত বাতৰি কাকত-আলোচনীৰ প্ৰচাৰ কম। কোটিৰো অধিক জনসংখ্যাৰ এই প্ৰদেশত কাকত-আলোচনী পঢ়া লোক হাজাৰৰ ঘৰতহে আছে। তেনে ক্ষেত্ৰত মুষ্টিমেয় বুদ্ধিজীৱি শ্ৰেণীটোৱে (যি সাধাৰণতে কলেজ-বিশ্ববিদ্যালয়ৰ উচ্চ দৰমহা পোৱা শিক্ষক-অধ্যাপকসকলহে হয়) সমাজ সচেতনতাৰ কামটো কৰি আহিছে। ডিজিটেল মাধ্যমৰ উত্থানৰ সময়ত এই সংখ্যালঘু সমাজ সচেতকৰ সচেতনতা জনমতত পৰিণত হ'বলৈ সক্ষম হোৱা নাই। অৱশ্যে ৯০ৰ দশকৰ আগলৈ অসমীয়া বাতৰি কাকতেই জনমতৰ আধাৰ আছিল।

ৰাজ্যৰ সমাজ-অৰ্থনীতি যিসকলে পোনপটীয়াকৈ প্ৰত্যক্ষ কৰি থাকে তেওঁলোক ভিতৰত আগৰণুৱা হৈছে ৰাজনীতিকসকল। বিশেষত শাসনত এটা দল থাকিলে বিৰোধীৰ নাম পোৱা অন্য ৰাজনীতিকসকলেও পোনপটীয়াকৈ শাসকীয় পক্ষৰ অনীতি, অনিয়ম, দুৰ্নীতি, স্বাৰ্থপৰ সিদ্ধান্তবোৰৰ লগতে ৰাজ্যৰ অৰ্থনীতিৰ কথাটো সৰ্বসাধাৰণ সমাজৰ আগত সৰলভাৱে উপস্থাপন কৰিবলৈ সক্ষম হোৱা নাই।

বৰ্তমানৰ সমাজ ব্যৱস্থাত এই বিৰোধীসকলো কোনো এক বিন্দুৰ সন্ধানত থাকে যাতে ৰাজনীতিত সকলোকে সন্তুষ্ট কৰি ক্ষমতাৰ জখলাত আগবাঢ়িব পাৰে। বাকী সমাজৰ অংশ চৰকাৰী চাকৰিয়ালবোৰ বা মধ্য-ক্ষুদ্ৰ ব্যৱসায় শ্ৰেণীটোৱে জনমত গঠন কৰাত কেতিয়াও সফলতা পোৱা নাই। তেওঁলোক নিজে এক Vicious Circleত (পাকচক্ৰ) বন্দী। ব্যক্তিগত অৰ্থনীতিয়েই মূল সেয়েহে এই শ্ৰেণীটোৰ সমাজ সচেতনতা আছে যদিও সেয়া পৰোক্ষ বা সীমিত।

শেষত আহে সৰ্বসাধাৰণ শ্ৰেণী। এই সৰ্বসাধাৰণ শ্ৰেণীটোত নিম্ন মধ্যবিত্ত লোকসকল নিজৰ জীৱিকাৰ তাড়নাত অন্য কথা চিন্তিবলৈ সময় নাথাকে। সামাজিক বিষয়বিলাকক লৈ এসময়ত কৃষক সংগঠনৰ বেনাৰত অখিল গগৈয়ে যিধৰণে প্ৰতিবাদ কাৰ্যসূচী হাতত লৈছিল তেনে ধৰণৰ কাৰ্যসূচীৰ জৰিয়তে তেওঁ জনগণৰ নেতা হৈ পৰিছিল। অৱশ্যে সেয়া তেওঁ বিধায়ক হৈ পৰাৰ পাছত স্তিমিত হৈ পৰিছে। ২০০০ৰ পৰা ২০১০ চনৰ ভিতৰত যি ধৰণৰ ৰাজহুৱা প্ৰতিবাদৰ স্বৰূপ আমি দেখা মনত পৰে সেয়া যেন এতিয়া লুপ্ত হৈ পৰিছে। পুঁজিবাদ ব্যৱস্থা, সোপন্থীৰ (আজিকালি দক্ষিণপন্থী বুলিও কোৱা কয়) উত্থানৰ ফলত সৰ্বসাধাৰণ, শ্ৰমজীৱিসকল এতিয়া কেৱল চৰকাৰী হিতাধিকাৰী হৈ পৰিছে।

ক'ৰবাত অনুভৱ হয়, সোঁপন্থাৰ পোষকতা কৰা চৰকাৰে সৰ্বসাধাৰণৰ বাবে চিন্তা কৰা কল্যাণকামী চিন্তাক আওপকীয়াকৈ হিতাধিকাৰী কৰি পুঁজিবাদক অধিক উৎসাহিত কৰিছে আৰু ভোগবাদেৰে (বিভিন্ন উপাদান দি) জনতাক বাস্তৱ সত্য উপলব্ধি কৰাৰ পৰা আঁতৰত ৰাখিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আধাৰ কাৰ্ড সন্দৰ্ভত কঠোৰ ৰাজ্য চৰকাৰ

সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি কয় যে আধাৰ কাৰ্ড আবেদন সহজ যদিও এতিয়াৰ পৰা আধাৰ কাৰ্ড লাভ কৰাটো সহজ নহ'ব। কেইবাটাও ভেৰিফিকেচনৰ মাজেৰে পাৰ হ'লেহে আধাৰ কাৰ্ড লাভ কৰিব আৱেদনকাৰীয়ে। ৰাজহুৱা অনুষ্ঠানৰ বাবে ভূমিৰ মালিকীস্বত্ব সহজীকৰণ, খাজনা পৰিশোধৰ ক্ষেত্ৰত ডিজিটেলাইজেচন তথা মেনুৱেল প্ৰক্ৰিয়াৰো পৰিশোধৰ ব্যৱস্থা প্ৰণয়নৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰীয়ে। কেবিনেটে আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থাটো অধিক কঠোৰ আৰু কটকটীয়া কৰিব। কেবিনেটে ৰাজ্যিক পৰ্যায়ৰ ভেৰিফিকেচন অধিক কঠোৰ কৰাৰ সিদ্ধান্ত লয়। ভেৰিফিকেচন কঠোৰ  কৰাৰ দায়িত্ব দিয়া হ'ব ৰাজ্যৰ প্ৰশাসনক। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা মতে, আধাৰৰ আবেদনকাৰীৰ আবেদনকাৰী ফিল্ডত ভেৰিফিকেচন কৰিব লাগিব চক্ৰ বিষয়াই। আবেদনকাৰীয়ে এনআৰচিত আবেদন কৰিছে নে নাই সেয়া পৰীক্ষা কৰিব। যদি এনআৰচিত আবেদন কৰা নাই তেন্তে সেই ব্যক্তিৰ আৱেদন নাকচ হ'ব। কেবিনেটে অনলাইন খাজানা পৰিশোধ কৰাৰ ক্ষেত্ৰত ভূমিধাৰকসকলে সন্মুখীন হোৱা সমস্যা সমাধানৰ বাবে মেনুৱেল ৰচিদৰ লগতে খাজানাৰ বাবে অনলাইন পৰিশোধ অব্যাহত ৰখাত অনুমোদন জনায়। পট্টাদাৰসকলক ই-খাজানা পৰ্টেলত অনবৰ্ড কৰাৰ প্ৰক্ৰিয়া বজাই ৰখাৰ সিদ্ধান্ত লৈছে। কেবিনেটে নামঘৰ, ধৰ্মীয় প্ৰতিষ্ঠান আৰু বেচৰকাৰী শিক্ষানুষ্ঠানকে ধৰি বেচৰকাৰী ন্যায়িক প্ৰতিষ্ঠানসমূহৰ বাবে পঞ্জীয়ন আইনৰ অধীনত নৱীকৰণ মাচুল ৰেহাই দিয়াৰ অনুমোদন জনাইছে। মিছন বসুন্ধৰা ৩.০ উদ্যোগৰ অধীনত ভূমি আৱণ্টনৰ বাবে আবেদন কৰাৰ প্ৰক্ৰিয়া সহজ কৰিব। ভূমি আবেদন প্ৰক্ৰিয়াসমূহ সৰল কৰি যোৱা তিনি বছৰত অডিট কৰাৰ বাবে চাৰ্টাৰ্ড একাউন্টেন্টৰ প্ৰমাণপত্ৰৰ প্ৰয়োজনীয়তা এই প্ৰতিষ্ঠানবোৰৰ বাবে ৰেহাই দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯০ লাখ ভোটৰ অংক প্ৰদেশ কংগ্ৰেছৰ

প্ৰচাৰিত খবৰক নস্যাৎ কৰিছে কংগ্ৰেছে। বিষয়টোক লৈ একাংশ সংবাদ মাধ্যমত চলা চৰ্চাৰ পিছতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কোনো জ্যোতিষীক লগ ধৰা নাই আৰু কথা পতা নাই বুলি স্পষ্ট কৰি দিছে ৰাজীৱ ভৱনৰ এটি সূত্ৰই। ৰাজীৱ ভৱনলৈ জ্যোতিষীক মাতি নি ২০২৬ চনত কংগ্ৰেছ দলৰ চৰকাৰ আনিবৰ বাবে ভূপেন বৰাই পৰামৰ্শ লৈছে বুলি একাংশ সংবাদ মাধ্যমে প্ৰকাশ কৰা বাতৰিক সম্পূৰ্ণৰূপে অসত্য আখ্যা দিছে সূত্ৰটোৱে। "অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কোনো জ্যোতিষীৰ লগত কথা পতা নাই, কোনো জ্যোতিষীক ৰাজীৱ ভৱনলৈ মাতি নিয়া নাই। কোনোবা এজন সাংবাদিকেহে এনেদৰে মনে সজা বাতৰি সম্প্ৰচাৰ কৰিছে।"- বিষয়টো সন্দৰ্ভত এইদৰে কয় ভূপেন বৰাৰ ঘনিষ্ঠ এগৰাকী কংগ্ৰেছ নেতাই। ৰাজীৱ ভৱনৰ সূত্ৰটোৱে কয় যে প্ৰয়োজনত সেই সাংবাদিকজনৰ নাম প্ৰকাশ কৰা হ'ব। উল্লেখ্য যে, একাংশ সংবাদমাধ্যমত ৰাজীৱ ভৱনলৈ জ্যোতিষী যোৱা বুলি খবৰ প্ৰচাৰ হৈছিল। তাৰ পিছতে বিষয়টোক লৈ ৰাজীৱ ভৱনত চৰ্চা হয়। ৰাজীৱ ভৱনৰ সূত্ৰটোৱে কৰা দাবী মতে, ৰাজীৱ ভৱনলৈ কোনো জ্যোতিষী যোৱা নাছিল। একাংশ সাংবাদিকে ৰাজীৱ ভৱনলৈ জ্যোতিষী যোৱা বুলি কোৱা কথাটোক খোদ অস্বীকাৰ কৰিছে ভূপেন কুমাৰ বৰাই। জানিব পৰা মতে, সংবাদ মাধ্যমৰ আগত ভাষ্য প্ৰদান কৰাৰ সময়ত ভূপেন বৰাই কথা প্ৰসংগত জ্যোতিষ সম্পৰ্কীয় কিছু বক্তব্য প্ৰদান কৰিছিল। সেই বক্তব্যকে একাংশ সংবাদ মাধ্যমে নিজৰ ধৰণে ভুলকৈ মচলা সানি প্ৰচাৰ কৰা বুলি সদৰী কৰি ৰাজীৱ ভৱনৰ সূত্ৰটোৱে ৰাজীৱ ভৱনলৈ জ্যোতিষী মাতি নি জ্যোতিষীৰ পৰামৰ্শ লোৱা কথাটো সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে। ইফালে, আজি ২০২৬ চনত কেনেদৰে চৰকাৰ গঠন কৰিব পৰা যাব কংগ্ৰেছে তাৰ আজি মন্ত্ৰণা দিলে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। ভূপেন কুমাৰ বৰাই আজি ৰাজীৱ ভৱনত নিজ দলৰ নেতা-কৰ্মীক কেৱল ১৫ লাখ ভোট সংগ্ৰহ কৰিবলৈ কাতৰ আহ্বান জনাই কয় যে কেৱল ১৫ লাখ ভোট সংগ্ৰহ কৰক। ৰাজীৱ ভৱনৰ পৰা জনতা ভৱন ওচৰ চাপি আহিব। আজি গুৱাহাটীস্থিত ৰাজীৱ ভৱনত অনুষ্ঠিত ৰাজীৱ গান্ধী পঞ্চায়তীৰাজ সংগঠনৰ ৰাজ্যিক কাৰ্যনিবাহকৰ সভাত উপস্থিত থাকি ভূপেন কুমাৰ বৰাই পঞ্চায়তীৰাজ সংগঠনৰ নেতা-কৰ্মীসকলক কয় যে যদি পঞ্চায়ত নিৰ্বাচনত লোকসভা নিৰ্বাচনতকৈ শক্তি বৃদ্ধি কৰিব পাৰো বিধানসভা নিৰ্বাচনত আৰু শক্তি বৃদ্ধি হ'ব। আমি লোকসভা নিৰ্বাচনত ৭৬ লাখ ভোট পাইছো। এই হিচাপ আপোনালোকে চাওক। আমি যদি চাৰিও চুকে মিলাই অসমত আৰু ১৫ লাখ ভোট গোটাই ভোটৰ সংখ্যা ৯০ লাখ পাৰ কৰিব পাৰো ৰাজীৱ ভৱনৰ জনতা ভৱনৰ দূৰত্ব কমি আহিব। ৰাজীৱ ভৱনৰ পৰা জনতা ভৱনলৈ দূৰত্ব কমোৱাৰ একমাত্ৰ শক্তিশালী পথটো হৈছে পঞ্চায়ত নিৰ্বাচন। পঞ্চায়ত নিৰ্বাচনত প্ৰতিটো বুথত এশটা ভোট বৃদ্ধি কৰিবলৈ কাতৰ আহ্বান জনাইছে বৰাই। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত পঞ্চায়তীৰাজ সংগঠনৰ ৰাজ্যিক সমিতিৰ সদস্যসকল আৰু জিলা সমিতিৰ সভাপতিৰ উপস্থিতিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। পঞ্চায়ত নিৰ্বাচনত ৰণকৌশল প্ৰস্তুত কৰিবলৈ অনুষ্ঠিত কাৰ্যনিৰ্বাহকত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই ৰাজ্যিক সমিতিৰ নেতা-কৰ্মীসকলক বিশেষ পৰামৰ্শ দিয়া পৰিলক্ষিত হয়। ভূপেন বৰাই পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হৈ থকা নেতা-কৰ্মীসকলক কয় যে ৰাজ্যজুৰি যিসকলে পঞ্চায়ত নিৰ্বাচন খেলিম বুলি সাজু হৈছে তেওঁলোকক সহায় কৰিবলৈ পঞ্চায়তীৰাজ সংগঠনৰ জিলা সভাপতিক আহ্বান জনাইছো। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত বহুতে পঞ্চায়তৰ ৱাৰ্ডৰ সীমাটোকে ভালকৈ নাজানে বুলি অভিযোগ উত্থাপন কৰি ভূপেন কুমাৰ বৰাই লখিমপুৰ ভ্ৰমণৰ অভিজ্ঞতাৰ কথা সুঁৱৰি কয় যে মই লখিমপুৰলৈ যোৱাৰ সময়তে ৱাৰ্ডৰ বাবে টিকট বিচাৰি অহা মানুহে ৱাৰ্ডৰ সীমাটো জানে কিন্তু জিলা পৰিষদৰ সীমা নাজানে। ভূপেন বৰাই ভোটকেন্দ্ৰৰ নাম, হাতত ভোটাৰ তালিকা, পঞ্চায়টো জনজাতি, অনুসূচিত জনজাতি, মহিলাৰ বাবে সংৰক্ষিত হ'ব সেই কথা জানি ল'বলৈ আহ্বান জনায়। এনে তথ্যবিলাক হাতত নাথাকিলে যুঁজখন যিমান শক্তিশালী হ'ব লাগে সিমান শক্তিশালী নহ'ব বুলি কয়। ভূপেন বৰাই পঞ্চায়তীৰাজ সংগঠনৰ জিলা সমিতিসমূহক এক সপ্তাহৰ ভিতৰত এই তথ্য আহৰণ কৰি যিসকলে পঞ্চায়ত নিৰ্বাচন খেলিবলৈ সাজু হৈছে তেওঁলোকক যোগান ধৰাৰ লগতে সচেতনতা বৃদ্ধিৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ১০৮খন আসনৰ নথি সাজু কৰিবলৈ বৰাই নিৰ্দেশ দিয়ে। বুথ, মণ্ডল পৰ্যায়ৰ লগতে ব্লক সভাপতি, মণ্ডল সভাপতিক দিয়াৰ ব্যৱস্তা কৰিব লাগে। ভূপেন বৰাই একেবাৰে ভিতৰুৱা গাঁওখনৰ মানুহক ৰাজনৈতিক শক্তি প্ৰদান কৰিবলৈও কংগ্ৰেছৰ নেতা-কৰ্মীক আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কমতাপুৰৰ দাবীৰে কঁপালে অসম-বংগ

আন্দোলন। পশ্চিমবংগ আৰু অসমৰ বৃহত্তৰ এলেকাক লৈ সুকীয়া কমতাপুৰ ৰাজ্য গঠনৰ দাবীত আজি পুনৰ আন্দোলন সাব্যস্ত কৰিছে কেইবা হাজাৰ লোকে। কোঁচবিহাৰ ৰাজ্য দাবী সমিতি গ্ৰেটাৰ কোঁচবিহাৰ পিপ'লছ এছোচিয়েচনৰ আহ্বানত কোচিবিহাৰৰ জোড়াই ষ্টেচনত ৰে'ল পথ অৱৰোধ কৰি কেন্দ্ৰীয় চৰকাৰক শীঘ্ৰে সুকীয়া ৰাজ্য গঠনৰ দাবী জনায় হাজাৰ প্ৰতিবাদকাৰীয়ে। কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ পৰম্পৰাগত পোছাক পৰিধান কৰি আজি পুৱাই পুৰুষ-মহিলা, যুৱক-যুৱতীয়ে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ কোঁচিবাহৰৰ জোড়াই ষ্টেচন অভিমুখে ৰাওনা হয়। পুৱাৰে পৰা ৰে'ল ষ্টেচনটোত সমৱেত লোকসকলে ৰে'লপথ অৱৰোধ কৰি ৰে'লপথ বন্ধ কৰি দিয়াত উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগী ৰে'লযাত্ৰা অচল কৰে। উত্তৰ-পূৱত স্তব্ধ হৈ পৰে ৰে'ল সেৱা। ৰে'লপথ অৱৰোধ কৰাত বন্দে ভাৰতসহ একাধিক গুৰুত্বপূৰ্ণ ৰে'লৰ যাত্ৰা বাতিল কৰা হয়। কাহিলী পুৱা প্ৰায় ৪ বজাৰ পৰাই হাতে হাতে বেনাৰ লৈ ওলাই আহিছিল প্ৰতিবাদকাৰী। কেইবা হাজাৰ প্ৰতিবাদকাৰীয়ে উগ্ৰ হোৱাৰ আশংকা কৰা হৈছিল। পুৱাই হাজাৰ লোক ওলাই অহাৰ খবৰ পোৱা মাত্ৰকে সন্থম হয় ৰে'ল আৰক্ষী। প্ৰতিবাদস্থলীত নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। গ্ৰেটাৰ কোঁচবিহাৰ পিপ'লছ এছোচিয়েচনৰ সভাপতি বংশীবদন বৰ্মনে কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰি প্ৰতিশ্ৰুতি পালন নকৰাৰ অভিযোগ আনে। বৰ্মনে কয় যে আমাৰ আন্দোলন পুনৰ আৰম্ভ হৈছে। আজি বিভিন্ন প্ৰান্তৰ পৰা সুকীয়া ৰাজ্যৰ দাবীত মানুহ ওলাই আহিছে। সংবিধান অনুযায়ী কোঁচবিহাৰ 'চি' কেটেগৰীৰ ৰাজ্য। কিন্তু কেন্দ্ৰীয় মান্যতা নিদিয়ে। কোঁচবিহাৰক পৃথক ৰাজ্যৰ দাবী, ৰাজবংশী ভাষাক অষ্টম অনুসূচীত অন্তৰ্ভুক্তিৰ দাবী মানি নোলোৱা পৰ্যন্ত আমাৰ আন্দোলন অব্যাহত থাকিব বুলি ঘোষণা কৰিছে বৰ্মনে। জোড়াই ষ্টেচনত হাজাৰ হাজাৰ লোকে প্ৰতিবাদ সাব্যস্ত কৰাত যিকোনো পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আশংকাত নিউ জলপাইগুৰিৰ পৰা গুৱাহাটী অভিমুখী বন্দে ভাৰত এক্সপ্ৰেছ, বঙাইগাঁও-নিউ জলপাইগুড়ি এক্সপ্ৰেছৰ যাত্ৰা বন্ধ কৰি দিয়ে। নিউ আলিপুৰদুৱাৰ ষ্টেচনত যাত্ৰীক নমাই বাছেৰে নিয়াৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। ১৫৭০৪ বঙাইগাঁও-নিউ জলপাইগুড়ি এক্সপ্ৰেছ, ১৫৭০৩ নিউ জলপাইগুড়ি-বঙাইগাঁও এক্সপ্ৰেছ, ২২২২৭ নিউ জলপাইগুড়ি-গুৱাহাটী বন্দে ভাৰত এক্সপ্ৰেছ, ২২২২৮ গুৱাহাটী-নিউ জলপাইগুড়ি বন্দে ভাৰত এক্সপ্ৰেছ, ১৫৬৫৭ উজনিমুৱা ব্ৰহ্মপুত্ৰ-মেইল, নামনিমুৱা কামৰূপ এক্সপ্ৰেছৰ যাত্ৰা বাতিল কৰা হয়। নামনিমুৱা ২০৫০৩ ৰাজধানী এক্সপ্ৰেছ, ২২৪৪৯ নামনিমুৱা গুৱাহাটী-নতুন দিল্লী এক্সপ্ৰেছ, ২২৫০৩ বিবেক এক্সপ্ৰেছ, ১৩২৪৭ কামাখ্যা-ৰাজেন্দ্ৰনগৰ কেপিপ্লিটেল এক্সপ্ৰেছৰ যাত্ৰাপথ পথ সলনি কৰা হয়। প্ৰতিবাদস্থলীত ৰে'ল বিভাগ তথা পশ্চিমবংগ প্ৰশাসনৰ প্ৰতিনিধিয়ে প্ৰতিবাদকাৰীৰ সৈতে আলোচনাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়াত ৰে'ল পথ অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ঘোষণা কৰে। কিন্তু চৰকাৰে আলোচনাত নবহিলে পৰিস্থিতি ভয়াবহ কৰাৰ হুংকাৰ দিয়ে গ্ৰেটাৰ কোঁচবিহাৰ পিপ'লছ এছোচিয়েচনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিল্পী পংকজ শৰ্মাৰ দেহাৱসান

দূৰদৰ্শনৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী, ৰাজ্যিক, ৰাষ্ট্ৰীয় লগতে আন্তৰ্জাতিক বাদ্য কলাকাৰ হিচাপে সু-পৰিচিত পংকজ শৰ্মাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত বৃক্কজনিত ৰোগত আজি পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স ৬৮ বছৰ আছিল। বৰ্তমান মহানগৰীৰ পাঞ্জাবাৰীৰ বাসিন্দা যদিও তেওঁৰ জন্মস্থান নলবাৰীৰ বৰকুলহাটীত। উল্লেখ্য যে, আমাৰ ৰাজ্যখনত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ বাদ্যযন্ত্ৰ আৰু বাদ্যযন্ত্ৰীৰ তালিকাখন বৰ দীঘলীয়া নহয়। বীণা, পাখোৱাজ, ছেহনাই, চাৰেংগী, এছৰাজ আদিৰ শিল্পীৰ অভাৱ বৰ পুৰণি। আমি বহুতেই জানো যে চন্তুৰ কাশ্মীৰৰ জনপ্ৰিয় লোক বাদ্য। অতি গুণী জ্ঞানী পণ্ডিত শিৱ কুমাৰ শৰ্মাই এই বাদ্যযন্ত্ৰত ভাৰতীয় শাস্ত্ৰীয় সংগীত পৰিৱেশন কৰিব পৰাকৈ ইয়াৰ প্ৰয়োজনীয়খিনি উন্নীত কৰি দেশ-বিদেশত ইয়াক জনপ্ৰিয় কৰি তোলে। আমাৰ ৰাজ্যত চন্তুৰৰ চেগাচোৰোকা ব্যৱহাৰ আৰম্ভ হৈছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ যোগেদি যদিও তেওঁলোকে প্ৰণালীবদ্ধভাৱে কোনো ভাল শিক্ষকৰ অধীনত শিকাৰ সুবিধা আৰু সুযোগ পোৱা নাছিল। ২০০১ চনৰ জানুৱাৰী মাহত বিশ্ব বিখ্যাত চন্তুৰ বাদক পণ্ডিত শিৱ কুমাৰ শৰ্মাৰ শিষ্যত্ব গ্ৰহণ কৰে নলবাৰী জিলাৰ বৰভাগ মৌজাৰ বৰকুঁৱৰী গাঁৱৰ অতি প্ৰতিভাধৰ পংকজ শৰ্মাই। গুৰুৰ নিৰ্দেশ মৰ্মে মুম্বাইলৈ গৈ চন্তুৰৰ নিয়মীয়া পাঠ গ্ৰহণ কৰে তেওঁ। লাহে লাহে অসমত চন্তুৰ বাদ্যযন্ত্ৰটি ধ্ৰুপদী সংগীতৰ পদ্ধতিৰে নতুন চামক শিকোৱাৰ কামত নিজকে নিয়োজিত কৰে। আজিৰ তাৰিখত ভালেসংখ্যক ল'ৰা-ছোৱালীক চন্তুৰৰ আদিপাঠেৰে শিক্ষিত কৰি তুলিছে পংকজ শৰ্মাই। কিছু অমনোযোগিতাৰ বাবে নিজৰ স্বাস্থ্যৰ প্ৰতি যত্ন নোলোৱাৰ ফলত দেহত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি হোৱাত অৱশেষত ২০২৩ চনৰ ৩ জানুৱাৰীত হাস্পতালত জটিল অৱস্থাত ভৰ্তি কৰোৱা হয় তেওঁক। চিকিৎসকসকলৰ নেৰানেপেৰা চেষ্টাত কিছু সুস্থ হৈ ঘৰলৈ উভতি আহে যদিও তেওঁৰ ইতিমধ্যে বৃক্ক বিকল হোৱা বুলি আত্মীয়ক জানিবলৈ দিয়ে। কিবা অইন জটিলতাৰ বাবে তেওঁৰ বৃক্ক সংৰোপণ সম্ভৱ নহ'ল। যোৱা ১০ ডিচেম্বৰৰ নিশা ৩.৩০ বজাত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিনী ৰবী গোস্বামী তথা একমাত্ৰ সন্তান দিয়ন বব ভৰদ্বাজসহ আত্মীয়-কুটুম তথা ছাত্ৰ-ছাত্ৰী আৰু অসংখ্য গুণমুগ্ধক এৰি থৈ পৰলোকলৈ গতি কৰে। পংকজ শৰ্মাৰ মৃত্যু অসমৰ সংগীত জগতৰ এক অপূৰণীয় ক্ষতি। তেওঁৰ মৃত্যুত নলবাৰী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সংগীত শিল্পী বিষ্ণু কলিতা, তৰুণ কলিতা, মানৱ অধিকাৰী, বাঁহীবাদক দীপক শৰ্মা, জুবিন গাৰ্গ, অভিনেতা হিৰণ্য ডেকা, বিভূতি ভূষণ হাজৰিকা, জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন, সংগীত শিল্পী বৰ্ণালী শৰ্মা, চলচ্চিত্ৰ পৰিচালক প্ৰণৱ ভৰালীৰ লগতে চিফুং দ্যা আৰ্টিষ্ট, দ্য হাৰ্টৰ পৰিচালনা সঞ্চালক চন্দন মোদক, মুদ্ৰাৰ সম্পাদক সঞ্জয় তালুকদাৰে গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি বিশিষ্ট কণ্ঠশিল্পী তথা সুৰকাৰ ডিজেন কাকতিয়ে কয়- 'আমি এজন সুখ্যাত বাদ্যশিল্পীক অকালতে হেৰুৱালো । তেওঁৰ হাতৰ পৰশতে প্ৰাণ পাইছিল অনেক গীত, সুৰ।' এইগৰাকী সুখ্যাত বিদ্যশিল্পীৰ বিয়োগত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মা, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদৰ সভাপতি দিলস্ লক্ষ্মীন্দ্ৰ সিংহ, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক কমল কলিতা, আকাশবাণী আৰু দূৰদৰ্শনৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক প্ৰধান দেৱেন্দ্ৰনাথ বসুমতাৰী, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সভাপতি ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, সাহিত্য সভাৰ প্ৰাক্তন কোষাধ্যক্ষ কিশোৰ কুমাৰ জৈন, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ গুৱাহাটী জিলা সমিতিৰ সভাপতি নিশুতি মজুমদাৰ, সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য উপদেষ্টা বিনয় কুমাৰ শৰ্মা, জৰ্জ কোৰ্ট বাৰ এচোছিয়েশ্যন, গুৱাহাটীৰ সাধাৰণ সম্পাদক দীপক কুমাৰ বৰুৱা, আসাম লুতাদৰ সম্পাদক ড০ অৰিন্দম প্ৰিন্স পাংগিং, প্ৰবীণ কবি-সাহিত্যিক দুৰ্গা প্ৰসাদ শৰ্মা, লেখিকা সংস্থা, অসমৰ বামুণীমৈদাম শাখাৰ সম্পাদক পুতুলী ঠাকুৰীয়া মেধি, পৰাগজ্যোতি প্ৰকাশন, অসম শিশু সাহিত্য সমাজ, স্বেচ্ছাসেৱী অনুষ্ঠান "ৰং" আদি দল-সংগঠনে শোক -সন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলী গড়মূৰ থানাত নিশা আৰক্ষী

আৰক্ষীয়ে ব্যৱহাৰ কৰি থকা বাহন। যাক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে মাজুলীত। আৰক্ষীৰ গাড়ীত অগ্নি সংযোগ কৰা কাণ্ডই স্মাৰ্ট আৰক্ষীৰ নগ্ন স্বৰূপ উদঙাই দিছে। মাজুলীৰ আয়ুক্ত কাৰ্যালয়ৰ পৰা প্ৰায় এশ মিটাৰ আৰু আয়ুক্ত আবাস আৰু আৰক্ষী অধীক্ষকৰ আবাসৰ পৰা প্ৰায় এশ মিটাৰ নিলগত মাজুলীৰ সদৰ গড়মূৰ আৰক্ষী থানাত দুখন গাড়ী দুৰ্বৃত্তই অগ্নি সংযোগ কৰি জ্বলাই দিয়াৰ পাছতো গড়মূৰ আৰক্ষীয়ে কোনো গমেই নাপালে। ঘটনা অনুসৰি, যোৱা নিশা প্ৰায় ১২.৩০ বজাত কোনো দুৰ্বৃত্তই গড়মূৰ আৰক্ষী থানাৰ চৌহদৰ কাষতে থকা অস্থায়ী গাড়ী ৰখা বাহনত পেট্ৰ'ল ঢালি জ্বলাই দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে। AS-30 6173 নম্বৰ আৰু AS-30 7523 নম্বৰৰ দুখনকৈ আৰক্ষীয়ে ব্যৱহাৰ কৰা বাহন জ্বলাই দিয়ে। দপদপকৈ জ্বলি থকা বাহন দুখন দেখি দুজন পথচাৰীয়ে গড়মূৰ আৰক্ষীক থানালৈ গৈ চিঞৰ-বাখৰ কৰি খবৰ দিয়াতহে গম পায় গড়মূৰ আৰক্ষীয়ে। লগে লগে অগ্নি নিৰ্বাপন বাহিনীক খবৰ দিয়াত অগ্নি নিৰ্বাপন বাহিনীৰ গাড়ীয়ে জুই নুমোৱাবলৈ সক্ষম হয় যদিও এখন গাড়ী সম্পূৰ্ণৰূপে ভস্মীভূত হয়। পথচাৰীয়ে নেদেখা হ'লে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'লহেঁতেন। কোনোমতে ৰক্ষা পৰিল গড়মূৰ থানা। আনহাতে, থানাৰ সমীপতে থকা আয়ুক্ত কাৰ্যালয়লৈ যোৱা পথৰ সমীপতে থকা এখন ৰঙৰ দোকানত কালি নিশা কোনো লোকে অগ্নি সংযোগ কৰাৰ অপচেষ্টা চলায়। দোকানখনৰ কৰ্মচাৰীয়ে জনোৱা অনুসৰি চিলিং ভাঙি পেট্ৰ'লৰ বটল দলিয়াই দি অগ্নি সংযোগ কৰাৰ চেষ্টা চলায় যদিও সৌভাগ্য ক্ৰমে ৰক্ষা পৰে দোকানখন। আজি আৰক্ষীয়ে দোকানখনত থকা চি চি কেমেৰাৰ ফুটেজ সংগ্ৰহ কৰিছে। পুৱাৰ পৰা গড়মূৰ আৰক্ষীয়ে দোকানে দোকানে চি চি কেমেৰা ফুটেজ সংগ্ৰহত ব্যস্ত হৈ পৰে। আৰক্ষীৰ থানাতেই কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰি আৰক্ষীৰ বাহন জ্বলাই দিয়াৰ লগতে এখন সমীপৰ দোকান জ্বলাই দিয়াৰ অপচেষ্টা কৰাৰ পাছতো সদৰ গড়মূৰ আৰক্ষীয়ে গম নেপোৱাটো দুৰ্ভাগ্যজনক বুলি ৰাইজে মন্তব্য কৰিছে। আৰক্ষী থানাতেই দুৰ্বৃত্তই গাড়ী জ্বলাবলৈ দুঃসাহস কৰিছে, সাধাৰণ নাগৰিক কিমান নিৰাপদ বুলিও প্ৰশ্ন উঠিছে। এতিয়া মাজুলী সদৰ গড়মূৰতেই আৰক্ষী টহলৰ ব্যৱস্থা নাই, মাজুলীৰ আৰক্ষীৰ বাবে এয়া দুৰ্ভাগ্যজনক বুলি ৰাইজে মতপোষণ কৰিছে। ইফালে, আজি গড়মূৰ আৰক্ষীয়ে অগ্নি সংযোগ কৰা দুৰ্বৃত্তৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। অভিযানত আৰক্ষীয়ে দীপাংকৰ পাঠক নামৰ এজন যুৱকক আটক কৰি স্বাস্থ্য পৰীক্ষা কৰি গড়মূৰ আৰক্ষী থানাত সোধা-পোছা অব্যাহত ৰাখিছে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা অনুসৰি কাইলৈ গুৱাহাটীৰ পৰা এটা আৰক্ষী দলে দুৰ্বৃত্তই জ্বলাই দিয়া গাড়ীত কিবা কেমিকেল ব্যৱহাৰ কৰিছিল নে অন্য কিবা ব্যৱহাৰ কৰিছিল সকলো পৰীক্ষা কৰিব বুলি জানিবলৈ দিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘কা’ আন্দোলন, আজি পঞ্চ শ্বহীদৰ

বিধায়ক উত্থাপন হোৱাত অসমত ক্ষোভৰ জুইকুৰা বেছিকৈ জ্বলিছিল। ৰাস্তা-ঘাটলৈ মানুহ ওলাই আহি কেৱল ‘কা’ৰ বিৰোধিতা কৰিছিল। ১২ ডিচেম্বৰৰ দিনটোতে ‘কা’ আন্দোলনৰ সময়ত পঞ্চ শ্বহীদে মাতৃভূমিৰ হকে প্ৰাণ বিসৰ্জন দিছিল। চৰকাৰী বাহিনীৰ গুলীত প্ৰাণ হেৰুৱাইছিল পাঁচগৰাকী তেজাল যুৱকে। ছয়গাঁৱৰ দীপাঞ্জল দাস, গুৱাহাটী হাতীগাঁৱৰ চেম ষ্টেফৰ্ড, ডিব্ৰুগড়ৰ দ্বীজেন্দ্ৰ পাংগিং, ওদালগুৰিৰ ঈশ্বৰ নায়ক আৰু বৰপেটাৰ আব্দুল আলিম শ্বহীদ হৈছিল। ১২ ডিচেম্বৰৰ দিনটোক লৈ আজি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে সংবাদমেল সম্বোধন কৰি পুনৰ ‘কা’ মানি লোৱা নহয় বুলি হুংকাৰ দিয়ে। অখিল গগৈয়ে গুৱাহাটীত সংবাদমেল সম্বোধন কৰি কয় যে ২০২৯ চনৰ ১২ ডিচেম্বৰত চৰকাৰে মোক যোৰহাটত গ্ৰেপ্তাৰ কৰিছিল। ২০১৯ চনৰ ১১ ডিচেম্বৰ সংসদত যেতিয়া ‘কা’ গৃহীত হৈছিল সিদিনা যোৰহাটত বিশাল প্ৰতিবাদী কাৰ্যসূচীত আছিলো। তাৰ পাৰই চৰকাৰে মোক গ্ৰেপ্তাৰ কৰি ১ বছৰ ৯ মাহ সময় মোক জেলত ৰাখি থৈছিল। মই ওলাই অহাৰ পিছতো ‘কা’ৰ বিৰোধিতা কৰিবলৈ এৰি দিয়া নাছিল। আজিও আমি ‘কা’ নামানো। ভাৰত চৰকাৰে গৃহীত কৰিছে। অসমৰ মানুহে ‘কা’ কেতিয়াও নামানে। ‘কা’ এখন অবৈধ আৰু ক’লা আইন বুলি ঘোষণা কৰি গগৈয়ে কয় যে কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু বিভিন্ন দল-সংগঠনে উচ্চতম ন্যায়ালয়ত গোচৰ তৰি থৈছে। কা’খন এখন বিতৰ্কিত আইন। ন্যায়ালয়ৰ বিচাৰাধীন আইন। যিদিনা উচ্চতম ন্যায়ালয়ে ৰায় দিব সিদিনা অসমৰ পক্ষত ৰায় দিব। অসমত ‘কা’ প্ৰযোজ্য হ’ব নালাগে বুলি নিশ্চয়কৈ ৰায় দিব। ইতিমধ্যে উচ্চতম ন্যায়ালয়ে ১৯৭১ চনৰ ২৫ মাৰ্চক নাগৰিকত্বৰ ভিত্তিবৰ্ষ কৰি ৰায় দিছে। এইটো ৰায়দিয়া উচ্চতম ন্যায়ালয়ে ‘কা’ ইয়াত নালাগে বুলি কোৱাটো খাতাং। অখিল গগৈয়ে হিমন্ত বিশ্ব শৰ্মা আৰু নৰেন্দ্ৰ মোদীয়ে হিন্দু বাংলাদেশীৰ বিৰুদ্ধে যিমানে ওকালতি নকৰক কিয় অসমৰ মানুহে ‘কা’ কেতিয়াও নামানে বুলি স্পষ্ট কৰে। এদিন নহয় এদিন অসমৰ মানুহে অসমৰ পৰা ‘কা’ খন দলিয়াই, আতৰাই পঠিয়াব বুলি দাবী কৰি অখিল গগৈয়ে কয় যে হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিয়ে কৈছে যে ‘কা’ খন অহাৰ পিছত অসমত কেৱল ৮জন মানুহেহে নাগৰিকত্ব পাইছে। ৮ জন মানুহক নাগৰিকত্ব দিবলৈ এখন আইনৰ দৰকাৰ নাই। বিজেপিয়ে কৈছে অসমলৈ বিদেশী অহাই নাই। কিন্তু বেহালিত উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা ধলাই সমষ্টিত বিজেপিৰ যিজন প্ৰাৰ্থী তেওঁ হিন্দু বাংলাদেশী। ১৯৮৪ চনত ভাৰতলৈ আহিছে। বাংলাদেশৰ হিন্দু নাগৰিক এজনক এইবাৰ তাত বিজেপিয়ে প্ৰাৰ্থী হিচাপে থিয় কৰালে। এজন বাংলাদেশী এইবাৰ অসম বিধানসভালৈ জয়ী হৈ আহিছে। যি কথা ৰাকৰ সকলো মানুহে জানে। বহু হিন্দু বাংলাদেশী অসমত সোমাই আছে। ‘কা’ অসমত দৰকাৰ নাই। ‘কা’ যেতিয়ালৈকে বাতিল নকৰিব তেতিয়ালৈ ‘কা’ৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত থাকিব বুলি স্পষ্ট কৰি দিয়ে অখিল গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰ্মনৰ বিৰুদ্ধে ডিচি বৰ্ণালীৰ গোচৰ

ডেকাৰ সংঘাত আদালতৰ মজিয়া পালে। আইএএছ বৰ্ণালী ডেকাই বৰ্মনৰ বিৰুদ্ধে ২০ কোটি টকাৰ মানহানি গোচৰ তৰিছে। এই কথা আজি খোদ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে লুইত কুমাৰ বৰ্মনে। গুৱাহাটীস্থিত কামৰূপৰ মহানগৰৰ দেৱানী আদালতে লুইত কুমাৰ বৰ্মনক জাননী জাৰি কৰি বৰ্ণালী ডেকাৰ বিৰুদ্ধে অনা অভিযোগসমূহ সন্দৰ্ভত ২১ ডিচেম্বৰত হাজিৰ হৈ লিখিত উত্তৰ দিবলৈ কৈ আজি (১১ ডিচেম্বৰ) প্ৰথম শ্ৰেণীৰ ন্যায়াধীশৰ আদালতে জাননী জাৰি কৰিছে। এগৰাকী জিলাৰ প্ৰশাসনিক মুৰব্বী পদত থকা ব্যক্তিয়ে মানহানি গোচৰ তৰিবলগীয়া হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। লুইত কুমাৰ বৰ্মনে বৰ্ণালী ডেকাৰ বিৰুদ্ধে অনা কেইবাটাও অভিযোগক প্ৰত্যাহ্বান জনাই প্ৰথমে আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল যদিও গোচৰ ৰুজু হোৱাৰ পিছৰে পৰা বৰ্মনে অভিযোগৰ মাত্ৰা বৃদ্ধি কৰাত আইএএছ বিষয়াগৰাকীয়ে অৱশেষত উপায়ন্তৰ হৈ মানহানি হোৱাৰ অভিযোগ উত্থাপন কৰি আদালতৰ কাষ চাপে। ছবি নিৰ্মাতা বৰ্মনে নিউজ নিক্সট ৱানৰ সৈতে বাৰ্তালাপ কৰি কয় যে মই যথেষ্ট উৎসাহী আৰু আনন্দিত। মই এই সুযোগ বিচাৰি আছিলো। ভগৱানে মোক সুযোগ দি দিলে। লগতে বৰ্মনে কয় যে মই সত্যৰ বাবে আৰু সমাজত এক বাঁতা দিবলৈ এই যুঁজ চলাইছো। মোৰ হাতত সকলো নথি আছে। আগতে মই বিভিন্ন ঠাইত অভিযোগ দিছো। কিন্তু এনেদৰে মোৰ হাতত থকা সত্য আৰু শুদ্ধ নথি দিবলৈ উপযুক্ত ঠাইডোখৰ পোৱা নাছিলো। এতিয়া মই পোনেপোনে আদালতত এগৰাকী আইএএছৰ বিৰুদ্ধে নথি দাখিল কৰিবলৈ সুযোগ পাইছো যাৰ বাবে সুখী আৰু আনন্দিত। বৰ্মনে আৰু কয় যে মোৰ বিৰুদ্ধে ভুৱা এজাহাৰ দিয়াৰ পাছত ষ্ট্ৰং ৰুম চৌহদত নিৰাপত্তা ভংগ কৰাত গৃহ বিভাগে তদন্তৰ নিৰ্দেশ দিছিল। বাৰে বাৰে চিঠি লিখাৰ পাছতো তাৰ ৰিপ’ৰ্ট নাপালো। কিন্তু ভগৱান আছে। আজি কোৰ্টৰ নটিচ পালো। যে বৰ্ণালী ডেকাই মোৰ বিৰুদ্ধে ২০ কোটিৰ মানহানি গোচৰ দিছে। ইমান দিনে মই যোগাৰ কৰি থোৱা প্ৰমাণবোৰ ক’ৰ্টত দিবলৈ পৰা নাছিলো। কিন্তু ভগৱানৰ কৃপাত গোটেই প্ৰমাণবোৰ মহামান্য আদালতত দিবৰ বাবে মই প্লেটফৰ্ম পাই গ’লো। ইয়াতকৈ কিবা ডাঙৰ ভাগ্য আছে নেকি? এতিয়া মোৰ অনুৰোধ, মানহানি গোচৰ দিছে যেতিয়া প্ৰত্যাহাৰ নকৰিব। সাহসেৰে যুঁজ দিম। মই মানহানি গোচৰ দিম যিদিনা মোৰ বিপক্ষে দিয়া এজাহাৰখন ভুৱা বুলি প্ৰমাণ হ’ব। কিন্তু মোৰ ভেল্যু কিন্তু ১০০ কোটি। দেশক প্ৰতিনিধিত্ব কৰা প্ৰযোজক। সাজু থাকিব বুলিও কয় বৰ্মনে। আইএএছ বৰ্ণালী ডেকাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি অহা লুইত কুমৰ বৰ্মনৰ বিৰুদ্ধে এইবছৰত অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ দিনটোতে ১০ লাখ টকা দাবী কৰাৰ অভিযোগ আনি নলবাৰী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল বৰ্ণালী ডেকাই। লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনটোত নলবাৰীৰ গৰ্ডন স্কুলস্থিত ষ্ট্ৰং ৰুমত জিলা আয়ুক্তক লুইত কুমাৰ বৰ্মনৰ মানুহ বুলি পৰিচয় দি কোনো লোকে ১০ লাখ টকা দাবী কৰাৰ অভিযোগ উত্থাপন কৰি এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে লুইত কুমাৰ বৰ্মনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। লুইত কুমাৰ বৰ্মনে তেতিয়াই কৈছিল যে বহু তলতীয়া কৰ্মচাৰী ডিচি বৰ্ণালী ডেকাৰ হাৰাশাস্তিৰ সন্মুখীন হৈছিল। নলবাৰীৰ কেইবাগৰাকীও লোকে তেওঁক সেই কথা অৱগত কৰিছিল। লগতে ডিচি ডেকা যিহেতু নলবাৰী গৃহ জিলা সেইবাবে নিৰ্বাচনী গাইড লাইন মতে গৃহ জিলাত থাকিব নোৱাৰে। সেইকাৰণে মই নলবাৰী জিলাৰ পৰা ডিচিগৰাকীক বদলিৰ দাবী উত্থাপন কৰিছিলো। এনে অভিযোগৰ মাজতে মোৰ হৈ কোনো লোকে ১০ লাখ টকা দাবী কৰা বুলি অভিযোগ আনি গোচৰ তৰা হৈছে। মই খোদ থানাত হাজিৰ হৈছো। ইপিনে বৰ্মনে সেই সময়ত গুৰুতৰ অভিযোগ উত্থাপন কৰি কৈছিল যে ডিচিৰ ঘৰ নলবাৰী জিলাত। তেওঁৰ নিৰ্বাচনৰ অধিসূচনাৰ পিছত জিলাখনত থাকিব নোৱাৰে। কিন্তু ডিচিয়ে নিশাৰ ভিতৰত নলবাৰী জিলাৰ ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰি কামৰূপ মহানগৰ জিলাত অন্তৰ্ভুক্ত কৰি ভোটাৰ তালিকাত স্থান সলনি কৰি জিলাখনত ডিচি হৈ আছিল। লুইত কুমাৰ বৰ্মন আৰু নলবাৰীৰ জিলা আয়ুক্ত ডেকাৰ সংঘাত সাধাৰণ কথা কৈ নাথাকিল। এগৰাকী আইএএছৰ বিৰুদ্ধে বৰ্মনে অনা অভিযোগসমূহ গুৰুতৰ। বৰ্ণালী ডেকাই আইন মহাবিদ্যালয়ৰ নীতি-নিয়ম নামানি এলএলবি ডিগ্ৰী লোৱা, তলতীয়া কৰ্মচাৰীক ৰুঢ় ব্যৱহাৰ, নিশাৰ ভিতৰতে ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা আদি অভিযোগ আনিছিল বৰ্মনে। নলবাৰীৰ জিলা আয়ুক্তই সাধাৰণ নিৰ্বাচনৰ আগতে বদলিৰ ভয়ত ৰাতাৰাতি নিজৰ আৰু মাকৰ নাম গুৱাহাটীৰ ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল। ডেকাৰ বিৰুদ্ধে গোলঘাট, গোৱালপাৰা, কোকৰাঝাৰত তলতীয়া কৰ্মচাৰীক অত্যাচাৰৰো অভিযোগ আছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামনিৰ ৩ সমষ্টিৰ পিছত এইবাৰ

বিধানসভা নিৰ্বাচনত ৪৫খন আসন বিচৰাৰ কথা বাৰে বাৰে কৈ আহিছে। তাৰ মাজতে উজনিৰ চাবুৱা সমষ্টিত অগপক এৰি অকলে পঞ্চায়ত নিৰ্বাচন খেলাৰ ঘোষণা কৰিছে বিজেপিয়ে। অকলে নিৰ্বাচন খেলাই নহয় অগপৰ দখলত থকা চাবুৱা সমষ্টিৰ ১৮টা পঞ্চায়তৰ ১৭টা পঞ্চায়ত বিজেপিয়ে দখল কৰিব বুলি দাবী কৰিছে বিজেপি বিধায়কে। আজি এই কথা স্পষ্ট কৰিলে বিজেপিৰ লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। বিৰোধী কংগ্ৰেছৰ বিৰুদ্ধে একো নকৈ কেৱল সহযোগী দল অগপৰ বিৰুদ্ধে আজি শংখনাদ বজালে বিজেপিৰ বিধায়ক বিনোদ হাজৰিকাই। অগপৰ চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা আৰু বিজেপিৰ লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ মাজত দীৰ্ঘদিনে চলি থকা শীতল যুদ্ধৰ মাজতে আজি বিজেপি নেতা তথা লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকাই সংবাদমেল সম্বোধন কৰি বিজেপিয়ে চাবুৱা সমষ্টিত পঞ্চায়ত নিৰ্বাচন অকলে অৱতীৰ্ণ হ'ব বুলি স্পষ্ট কৰিছে। বিজেপিয়ে চাবুৱাত অকলে খেলোটো এশ শতাংশ নিশ্চিত বুলি স্পষ্ট কৰিছে। পোনাকণ বৰুৱাই পঞ্চায়ত নিৰ্বাচনত একত্ৰিতভাৱে নিৰ্বাচন খেলাৰ ইংগিত দিছিল যদিও আজি পোনাকণ বৰুৱাৰ বিৰুদ্ধে স্পষ্ট মত পোষণ কৰি বিনোদ হাজৰিকাই কয় যে চাবুৱাত মিত্ৰতাত নিৰ্বাচন খেলাটো অসম্ভৱ, অবাস্তৱ, আবান্তৰ কথা। বিনোদ হাজৰিকাই অগপৰ সৈতে কোনো কাৰণত এক হৈ পঞ্চায়ত নিৰ্বাচন খেলিব নোখোজা কথাটো স্পষ্ট কৰি কয় যে ইতিমধ্যে আমি ৱাৰ্ড, আঞ্চলিক, জিলা পৰিষদত খেলিব খোজাসকলৰ পৰা আবেদন বিচাৰিছো। আমি তাৰ পৰা বাছনি কৰি আবেদনকাৰীৰ সংখ্যা কমাই তালিকা প্ৰস্তুতৰ কাম ডিচেম্বৰ মাহতে শেষ কৰিম। বিজেপি বিধায়ক হাজৰিকাই স্পষ্টকৈ কয় যে ২০১৬ চনৰ পৰা মই চাবুৱা সমষ্টিৰ বিধায়ক হৈ সেৱা কৰিছো। ২০২১ চনত চাবুৱা সমষ্টি অগপক এৰি দিয়া হয়। হাজৰিকাই চাবুৱা সমষ্টি আৰু লাহোৱাল সমষ্টিত তেওঁৰ অভিজ্ঞতা বেছি বুলি দাবী কৰিছে। আনহাতে আজিৰ সংবাদমেলত অগপ দল সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায় হাজৰিকাই। হাজৰিকাই কয় যে আমাৰ দলে তিনিতৰপীয়া চাৰ্ভে কৰে। ইতিমধ্যে এটা চাৰ্ভে কৰিছে। পুনৰ আন এটা চাৰ্ভে কৰা হ'ব। অমিত শ্বাহ ডাঙৰীয়াৰ চাৰ্ভে থাকে। চাৰ্ভেত যদি অসমৰ গণ পৰিষদে ভাল দেখুৱাই তেন্তে অসম গণ পৰিষদে আসনখন পাব। চাৰ্ভেত যদি বিজেপিৰ অৱস্থা ভাল তেন্তে বিজেপিয়ে আসনখন পাব। যিসকল বিধায়কে নিষ্ঠা, সততাৰে কাম কৰি আছে সেইসকলে টিকট পাবই বুলিও মুখ্যমন্ত্ৰীয়ে কোৱা বুলি কয় হাজৰিকাই। অসম গণ পৰিষদৰ স্থিতি দুৰ্বল বুলি আওপকীয়াকৈ দাবী কৰি বিজেপি বিধায়ক বিনোদ হাজৰিকাই কয় যে অগপৰ সৈতে আমাৰ মিত্ৰতা থাকিব। কিন্তু অগপই ৪৫ খন আসন বিচাৰিছে। ৪৫ খন আসন নাপায়। যেতিয়া আলোচনাৰ সময়ত সহমতত আহিব তেতিয়া ৪৫টা দিয়ে নে কেইটা দিয়ে সেইটো এতিয়াই ক'ব পৰা অৱস্থাত নাই। কিন্তু মই টিকট পাম সেইটো মই চিন্তা কৰিবলগীয়া নাই। '২৬ত নিজৰ প্ৰাৰ্থিত্ব নিজেই ঘোষণা কৰি হাজৰিকাই কয় যে চাবুৱা, লাহোৱাল সমষ্টিত আমাৰ দলে প্ৰাৰ্থিত্ব বিচৰা নাই। মই দলৰ দুজনমানে টিকট বিচৰাটো বিচাৰো। চাবুৱা-লাহোৱাল সমষ্টিত আগন্তুক গাঁও পঞ্চায়তত অগপৰ সৈতে মিত্ৰতা নহয় বুলি স্পষ্ট কৰিছে বিনোদ হাজৰিকাই। চাবুৱাস্থিত বাসগৃহত সংবাদমেল পাতি চাবুৱা-লাহোৱাল সমষ্টিত আগন্তুক পঞ্চায়ত নিৰ্বাচনত ৪টা জিলা পৰিষদ, ১৭টা আঞ্চলিক পঞ্চায়তত বিজেপিয়ে পাব বুলি দাবী কৰে বিধায়কগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যৰ ভিন্ন প্ৰান্তত দুৰ্ঘটনাত হতাহত

এই দুৰ্ঘটনাত ৩ জন লোক নিগত হোৱাৰ লগতে আহত হয় আন কেবাজনো লোক। কামৰূপৰ বাইহাটা চাৰিআলি, দৰঙৰ ছিপাঝাৰ আৰু ধুবুৰীৰ চাপৰত সংঘটিত দুৰ্ঘটনাই ৩ জনকৈ লোকক অকালতে কাঢ়ি নিয়াত অঞ্চলকেইটাত শোকৰ ছাঁ পৰিছে।

## বৰপলহাত ডাম্পাৰৰ খুন্দাত থিতাতে নিহত বহুমুখী স্বাস্থ্যকৰ্মী

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১১ ডিচেম্বৰঃ** আজি কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত বৰপলহাত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এজন বাইক আৰোহী থিতাতে নিহত হয়। প্ৰাপ্ত বাতৰি অনুসৰি, বাইহাটা চাৰিআলি অভিমুখে গৈ থকা বাইক আৰোহীজনক এখন দ্ৰুতবেগী ডাম্পাৰে পিছফালৰ পৰা খুন্দিওৱাৰ ফলত বাইক আৰোহী যুৱকজন থিতাতে নিহত হয়। দিনৰ প্ৰায় ২ বজাত সংঘটিত হয় এই দুৰ্ঘটনা। নিহত যুৱকজন চাংসাৰি থানাৰ অন্তৰ্গত ধোপাটাৰীৰ প্ৰয়াত নন্দ লহকৰৰ পুত্ৰ তথা দৰং জিলাৰ খাচ সোণাপুৰ স্বাস্থ্য উপ-কেন্দ্ৰৰ বহুমুখী স্বাস্থ্যকৰ্মী নিৰেন লহকৰ(৪০) বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণী মতে, আজি নিজৰ কৰ্তব্য সমাপন কৰি এ এছ-০১ বি এল-৮৩৬২ নম্বৰৰ পালছাৰ মটৰ চাইকেলখনৰে বাইহাটা চাৰিআলি হৈ চাংসাৰি অভিমুখে গৈ থকা অৱস্থাত দ্ৰুতবেগী এ এছ-২৫ ই চি-৩২৬০ নম্বৰৰ ডাম্পাৰখনে পিছফালৰ পৰা মহটিয়াই নিয়ে। এই ঘটনাটোত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত স্বাস্থ্যকৰ্মীগৰাকীক ততাতৈয়াকৈ নিকটৱৰ্তী বেজেৰা এফ আৰ ইউলৈ নিয়া হয় যদিও চিকিৎসকে ইতিমধ্যে তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। পিছত নিহত স্বাস্থ্যকৰ্মীগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনাটো সংঘটিত কৰা ডাম্পাৰখন ইতিমধ্যে আৰক্ষীয়ে জব্দ কৰিছে। স্বাস্থ্যকৰ্মীগৰাকীৰ মৃত্যুত কামৰূপ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাই গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

## ছিপাঝাৰত পথ দুৰ্ঘটনাত মৃত্যু যুৱকৰ

**ই-সংবাদ, ছিপাঝাৰ, ১১ ডিচেম্বৰঃ** ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত নাৰিকলিত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত থিতাতে নিহত হয় এজন যুৱক। আনহাতে, আহত হয় আন এজন যুৱক। ১৫ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত দুৰ্ঘটনাটোত ইয়াৰ গংগাজানি গাঁৱৰ কুশল দাস(২৭) থিতাতে নিহত হোৱাৰ বিপৰীতে মানৱ বেজ নামৰ যুৱকজন আহত হয়। এক সূত্ৰ অনুসৰি দুয়ো ফুৰিবলৈ ওলাই আহিছিল। দুৰ্ঘটনাত পতিত হোৱা পালছাৰ বাহনখনৰ নম্বৰ এ এছ-০১ এফ ভি-৩৭৭০।

## শাক-পাচলি বিক্ৰী কৰিবলৈ আহি ঘৰলৈ উভতি নগ'ল আমিৰ

**ই-সংবাদ, চাপৰ, ১১ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা ৪.৩০ বজাত সংঘটিত হোৱা এক মৰ্মান্তিক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হোৱাৰ উপৰি এজন গুৰুতৰভাৱে আহত হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলায়। প্ৰাপ্ত বাতৰি মতে, ধীৰেৰচৰ তাৰংগাপুৰ গাঁও পঞ্চায়তৰ অধীনস্থ শান্তিপাৰা গাঁও নিবাসী সাইবুদ্দিন সেখৰ পুত্ৰ আমীৰ হুছেইন(২৫) আৰু উক্ত গাঁৱৰ ওমৰ আলী(৩০) নামৰ যুৱক দুজনে ঘোঁৰাৰ গাড়ীৰে শাক-পাচলি বিক্ৰী কৰিবলৈ চাপৰ বজাৰলৈ আহিছিল। চাপৰ বজাৰত, শাক-পাচলি বিক্ৰী কৰি নিজ ঘৰলৈ উভতি যাওঁতে চাপৰ নগৰৰ শিঙাৰপাকস্থিত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত পিছফালৰ পৰা এখন অচিনাক্ত তীব্ৰ বেগী বাহনে ঘোঁৰাৰ গাড়ীত খুন্দা মাৰে। খুন্দা মৰাৰ ফলত দুয়োজন যুৱক ঘোঁৰাৰ গাড়ীৰ পৰা চিটিকি পৰে। উক্ত দুৰ্ঘটনাৰ ফলত থিতাতে নিহত হয় ঘোঁৰাৰ গাড়ী চালক আমীৰ হুছাইন(২৫) আৰু গুৰুতৰভাৱে আহত হয় ওমৰ আলী(৩০)। গুৰুতৰভাৱে আহত ওমৰ আলীক প্ৰথমতে চাপৰ চিকিৎসালয়ত ভৰ্তি কৰে যদিও উন্নত চিকিৎসাৰ বাবে বঙাইগাঁও লৈ প্ৰেৰণ কৰে। ইপিনে, ঘটনাস্থলীত চাপৰ আৰক্ষী আৰু মহকুমা আৰক্ষী বিষয়া উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী লৈ প্ৰেৰণ কৰে। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰা বাহনখন আৰু চালকজনক বাতৰি লিখা পৰলৈকে জব্দ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। যদিও মহকুমা আৰু চাপৰ আৰক্ষী গাড়ীখনৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে।

# শিৱসাগৰত নিচামুক্তি কেন্দ্ৰত যুৱকৰ মৃত্যুক লৈ ৰহস্য, আৰক্ষীৰ তদন্ত অব্যাহত

**ই-সংবাদ, শিৱসাগৰ, ১১ ডিচেম্বৰঃ** ড্ৰাগছ, অত্যাধিক বিলাতী সুৰা আসক্ত যুৱক-যুৱতী, কিশোৰ-কিশোৰীক এই ভয়াৱহ জালৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে স্থাপন কৰা একাংশ নিচামুক্তি কেন্দ্ৰ বৰ্তমান ব্যৱসায়িক কেন্দ্ৰলৈহে পৰিণত হৈছে নেকি? শেহতীয়াকৈ একাংশ নিচা মুক্তি কেন্দ্ৰ তথা ৰিহেব চেন্টাৰত ঘটা অপ্ৰীতিকৰ পৰিস্থিতিকলৈ এই প্ৰশ্ন সঘনাই উত্থাপন হৈ থকাৰ সময়তে এইবাৰ বেতবাৰীৰ এগৰাকী ড্ৰাগছ আসক্ত যুৱক উপযুক্ত চিকিৎসাৰ অভাৱত নিচামুক্তি কেন্দ্ৰত মৃত্যু হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। শিৱসাগৰ বেতবাৰী লুঠুৰীচেতিয়াৰ পলাশলোচন চেতিয়া (২৫) নামৰ যুৱকজনৰ কালি সন্ধিয়া গৌৰীসাগৰৰ তিনি আলিস্থিত অভাৰকাম ফাউণ্ডেশ্যন নামৰ নিচা মুক্তি কেন্দ্ৰটোত মৃত্যু হয়। ৰিহেব চেন্টাৰটোৰ একাংশ ৰোগীয়ে সদৰী কৰা অনুসৰি কালি সন্ধিয়া পলাশলোচন হঠাৎ অজ্ঞান হৈ পৰিছিল। তাৰ পিছত শিৱসাগৰ প্ৰগতি নাৰ্চিং হোমলৈ লৈ যোৱা হৈছিল যদিও চিকিৎসকে যুৱকজনক মৃত ঘোষণা কৰে। এই খবৰ বিয়পি পৰাৰ লগে লগে ৰিহেব চেন্টাৰটোত হাহাকাৰ লাগে। লক্ষণীয় যে প্ৰগতি নাৰ্চিংহোমলৈ পলাশ লোচনক অ'ভাৰকাম ফাউণ্ডেশ্যনৰ কৰ্তৃপক্ষৰ পৰিবৰ্তে তাত চিকিৎসাধীন হৈ থকা আন একাংশ যুৱকেই লৈ গৈছিল। আন এক সূত্ৰৰ অভিযোগ মতে পলাশলোচনক মৃত্যুৰ পিছতহে লৈ যোৱা হৈছিল চিকিৎসালয়লৈ। যুৱকজনৰ মৃত্যুৰ খবৰ লাভৰ পিছতে শিৱসাগৰ সদৰ আৰক্ষীৰ শিখা সেনাপতিৰ নেতৃত্বত আৰক্ষীৰ এটা দল উপস্থিত হৈ প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰে। ইপিনে যুৱকজনৰ মৃত্যুৰ ডেৰ ঘন্টা মানৰ পিছত খবৰ দিয়া হয় বেতবাৰীৰ লুঠুৰীচেতিয়াস্থিত পৰিয়ালবৰ্গলৈ। এই খবৰ লাভ কৰি স্বাভাৱিকতে হুৱা-দুৱা লাগে পিতৃ ভাৱানী চেতিয়া, মাতৃ বিজুমণিসহ আত্মীয়স্বজনৰ মাজত। লগে লগে নিশা প্ৰায় ১০-৪৫ বজাত পলাশলোচনৰ মাতৃ আৰু ভায়েকসহ গাঁৱৰ একাংশ লোক উপস্থিত হয়গৈ প্ৰগতি হস্পিটেলত। সৰু পুত্ৰক হেৰুৱাই কান্দোনত ভাগি পৰে মাতৃ বিজুমণি বৰুৱা চেতিয়া। ইপিনে পলাশলোচনৰ ভাতৃয়ে সদৰী কৰা অনুসৰি ২০ দিন পূৰ্বে ড্ৰাগছ আসক্ত পলাশলোচনক উক্ত নিচা মুক্তি কেন্দ্ৰটোত ভৰ্তি কৰিছিল। কেন্দ্ৰটোৰ সৈতে পৰিয়ালবৰ্গই যোগাযোগ অব্যাহত ৰাখিছিল। এই সময়ছোৱাত পলাশলোচন ঠিকেই আছে বুলি কৈ আহিছিল কেন্দ্ৰটোৰ কৰ্তৃপক্ষই। কিন্তু হঠাৎ কেনেকৈ মৃত্যু হ'ল বুলি প্ৰশ্ন তুলিছে ভাতৃয়ে। লগতে এক উচিত তদন্তৰ দাবী তুলিছে। ইপিনে যুৱকজনৰ মৃতদেহৰ আজি শিৱসাগৰ অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ কৰাৰ পিছত লুঠুৰীচেতিয়াৰ বাসগৃহলৈ লৈ যোৱা হয়। বিয়লি শোকাকুল পৰিৱেশৰ মাজত শেষকৃত্য সম্পন্ন কৰে। অন্যহাতে আজি পুৱা ৯ বজাৰ পৰা ১০-৩০ বজালৈকে গৌৰীসাগৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তিলেশ্বৰ নৰহৰ নেতৃত্বত আৰক্ষীৰ দলে নিচামুক্তি কেন্দ্ৰটোত অভিযান চলাই। অভিযান কালত আৰক্ষীয়ে তাত থকা ৰোগী, কৰ্মচাৰীসকলক সোধা-পোছা কৰে যদিও উপস্থিত নাছিল নিচামুক্তি কেন্দ্ৰটোৰ নেতৃত্বত থকা দীপাংকৰ সন্দিকৈ আৰু অংশুমান গগৈ। উল্লেখ্য যে, শিৱসাগৰ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ পৰা জানিব পৰা অনুসৰি ডেৰ বছৰ আগেয়ে খুলিছিল উক্ত নিচামুক্তি কেন্দ্ৰটো। অভাৰকাম ফাউণ্ডেশ্যন নামৰ কেন্দ্ৰটো খুলিছিল শিৱসাগৰ ষ্টেচন চাৰিআলিৰ দীপাংকৰ সন্দিকৈ নামৰ লোকজনে। সহযোগ কৰে চেৰেকাপাৰৰ অংশুমান গগৈয়ে। ১৮৩১১০০৫৬৫ নম্বৰত পঞ্জীয়ন হৈ থকা নিচামুক্তি কেন্দ্ৰটোৰ বিৰুদ্ধে কেইবাবাৰো নীতি-নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগ উঠিছিল বুলি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে উজনি অসম ড্ৰাগছ ৰিহেব চেন্টাৰৰ সভাপতি আফতাব খানে। তেওঁ কয়, "চৰকাৰী গাইড লাইন কেন্দ্ৰটোৱে ভংগ কৰি চলাই আছে। তাত প্ৰয়োজন অনুসাৰে নাই স্বাস্থ্য কৰ্মী, কৰ্মচাৰী। নিৰ্ধাৰিত সময় অনুসৰি নিয়মিত চিকিৎসকো নাযায় কেন্দ্ৰটোলৈ। এতিয়ালৈকে বহুতে অভিযোগ দিছে।' তিনি মহলাত থকা কেন্দ্ৰটোলৈ উঠা-নমা কৰিবলৈ নাই লিফ্টৰ ব্যৱস্থা, নাই হুইল চেয়াৰত উঠা-নমা কৰাৰো ব্যৱস্থা। ৰোগী যদিহে বেছি অসুস্থ হৈ পৰে এনে পৰিৱেশত কেনেকৈ উঠা-নমা কৰিব তাকলৈয়ো প্ৰশ্ন তুলিছে বিভিন্নজনে। প্ৰয়োজনীয় সা-সুবিধাৰ ব্যৱস্থা নকৰাকৈ কিদৰে এই কেন্দ্ৰটো চলাই আছে তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত উচিত তদন্তৰ দাবী তুলিছে আটাছু, আছুকে ধৰি বিভিন্ন দল-সংগঠনে। কেৱল টকাৰ লোভত এনে কেন্দ্ৰ খুলিছে নে মানৱ সেৱাৰ লক্ষ্যৰে খুলিছে সন্দেহ আছে বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আটাছু নেতা বিমল ফুকনে। তদুপৰি নিচা মুক্তি কেন্দ্ৰ খোলাত বেছি গুৰুত্ব দিয়াতকৈ আৰক্ষী প্ৰশাসনে ড্ৰাগছৰ বেহা কেনেকৈ সম্পূৰ্ণ ৰোধ কৰিব পাৰি সেই দিশত অধিক গুৰুত্ব দিয়াৰ লগতে কঠোৰ হোৱাৰ দাবী জনাইছে আটাছুৱে। অনাগত দিনত শিৱসাগৰ জিলা প্ৰশাসন, যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয় আৰু সমাজ কল্যাণ বিভাগে এই বিষয় সমূহত কি পদক্ষেপ ল'ব সেয়া লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

## ৰাজ্যৰ নগৰ-চহৰ সৰ্বত্ৰে বৃদ্ধি নিবনুৱা

বিপৰীত তথা নিবনুৱা সমস্যাৰ এক উদ্বেগজনক ছবি। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ শেহতীয়া প্ৰতিবেদনে উদঙাই দিছে যে চৰকাৰখনে নিবনুৱাক সংস্থাপন দিয়া বুলি দাবী কৰি আহিলেও সেয়া প্ৰকৃততে শুদ্ধ নহয়। প্ৰকৃততে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত হাজাৰ হাজাৰ পদ খালী হৈ আছে যদিও সেই অনুপাতে আজিও সংস্থাপন দিয়াত ব্যৰ্থ হৈ আহিছে। লগতে নতুনকৈ সংস্থাপন সৃষ্টিটো ৰাজ্য চৰকাৰখন মুঠেই সফল হ'ব পৰা নাই। যিসমূহ পদত চৰকাৰে নিযুক্তি দিয়া বুলি দাবী কৰিছে সেইসমূহৰ অধিকাংশই আচলতে খালী হৈ থকা পদসমূহৰ তেনেই সামান্য অংশহে। এনে পৰিপ্ৰেক্ষিততে ৰাজ্যখনত ২০২২-২৩ বৰ্ষৰ তুলনাত ২০২৩-২৪ বৰ্ষত অতি উদ্বেগজনকভাৱে বৃদ্ধি পাইছে নিবনুৱা সমস্যা। গ্ৰামাঞ্চল আৰু নগৰাঞ্চল উভয়তে বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা। ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদন অনুযায়ী ৰাজ্যখনত গ্ৰামাঞ্চলত ২০২২-২৩ বৰ্ষত প্ৰতিহাজাৰ পুৰুষৰ বিপৰীতে নিবনুৱাৰ হাৰ আছিল ১২ জন। কিন্তু ২০২৩-২৪ বৰ্ষত সেয়া বৃদ্ধি হৈ হৈছেগৈ প্ৰতিহাজাৰত ৩৬ জন। একেদৰে মহিলা নিবনুৱাৰ সংখ্যাও এই সময়ছোৱাত বৃদ্ধি পাইছে। ২০২২-২৩ বৰ্ষত মহিলা নিবনুৱাৰ হাৰ আছিল প্ৰতিহাজাৰত ২৭ গৰাকী। ২০২৩-২৪ত সেয়া হৈছেগৈ প্ৰতিহাজাৰত ৩৫ গকৰাকী। আনহাতে, নগৰাঞ্চলত প্ৰতিহাজাৰত বিগত ২০২২-২৩ বৰ্ষত নিবনুৱাৰ হাৰ আছিল প্ৰতিহাজাৰত ৩৬ জন। ২০২৩-২৪ বৰ্ষত সেয়া উদ্বেগজনকভাৱে বৃদ্ধি হৈ হৈছেগৈ ৫৭ জন। মহিলা নিবনুৱাৰ সংখ্যাও নগৰাঞ্চলত ভয়ংকৰভাৱে বাঢ়িছে। ২০২২-২৩ বৰ্ষত নগৰাঞ্চলত অসমত প্ৰতিহাজাৰ মহিলাৰ ১০৯ গৰাকীয়েই নিবনুৱা আছিল। ২০২৩-২৪ বৰ্ষত নগৰাঞ্চলত মহিলা নিবনুৱাৰ সংখ্যা বৃদ্ধি পাই প্ৰতিহাজাৰত ১২৮ গৰাকী হৈছেগৈ। এনেদৰে চৰকাৰে চাকৰিৰ নামত ঢাক-ঢোল বজাই থকাৰ বিপৰীতে ভয়াৱহ ৰূপ লৈছে নিবনুৱা সমস্যাই। মাহে মাহে ঋণ লোৱা চৰকাৰখনে একপ্ৰকাৰে নিবনুৱাক সংস্থাপন দিয়াত যে চূড়ান্তভাৱে ব্যৰ্থ হৈছে সেয়া ৰিজাৰ্ভ বেংকে যোৱা ৯ ডিচেম্বৰত প্ৰকাশ কৰা প্ৰতিবেদনে স্পষ্ট কৰি তুলিছে। উল্লেখ্য যে সৰ্বভাৰতীয় পৰ্যায়ত নিবনুৱাৰ হাৰ পূৰ্বৰ তুলনাত কিছু হ্ৰাস পোৱাৰ বিপৰীতে অসমত এনেকৈ ভয়াৱহ হাৰত বৃদ্ধি পাইছে নিবনুৱাৰ হাৰ। বিশেষকৈ নগৰাঞ্চলত নিবনুৱাৰ হাৰ বৃদ্ধি পোৱা বিষয়টোৱে এতিয়া সচেতন মহলক চিন্তিত কৰি তুলিছে। চৰকাৰে চাকৰি দিয়া বুলি দাবী কৰিলেই যে নিবনুৱা সমস্যা দূৰ নহয় সেয়াও শেহতীয়া প্ৰতিবেদনে পুনৰবাৰ স্পষ্ট কৰি তুলিছে। এনে পৰিপ্ৰেক্ষিতত এতিয়া এই প্ৰতিবেদন প্ৰকাশৰ পাছত ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# মুকালমুৱাত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন উদযাপন



**ই-সংবাদ, মুকালমুৱা, ১১ ডিচেম্বৰঃ** ইলোৰা বিজ্ঞান মঞ্চৰ বৰক্ষেত্ৰী শাখাই বৰক্ষেত্ৰী বিকাশ ট্ৰাষ্টৰ সহযোগত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ১৯০ সংখ্যক জন্মদিন আজি উদযাপন কৰে। নলবাৰী জিলাৰ মুকালমুৱাৰ নাৰায়ণপুৰস্থিত বৰক্ষেত্ৰী জাতীয় বিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে অসমীয়া ভাষাক সংকটৰ পৰা ৰক্ষা কৰা হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন উদযাপন কৰে ইলোৰা বিজ্ঞান মঞ্চই। তদুপলক্ষে আধুনিক অসম গঢ়োঁতা পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে বৰক্ষেত্ৰী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ আৱব উদ্দিন আহমেদে। সমান্তৰালকৈ ভাষাবিদগৰাকীৰ জন্মদিনৰ লগত সংগতি ৰাখি অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বিৰোধী দিৱস পালন কৰে ইলোৰ বিজ্ঞান মঞ্চই। ইলোৰা বিজ্ঞান মঞ্চৰ সভাপতি মৰ্তুজ আলীৰ সভাপতিত্বত অনুষ্ঠিত হয় অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বিৰোধী দিৱসৰ কাৰ্যসূচী। বিজ্ঞান কৰ্মী ভুৱনেশ্বৰ বৰ্মনে আঁত ধৰা সভাত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ জীৱন-দৰ্শন আৰু অন্ধবিশ্বাস-কুসংস্কাৰ বিৰোধী আন্দোলনৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰে বিজ্ঞানমনস্ক ব্যক্তি তথা চিন্তাশীল লেখক নগেন দাসে। দাসে ভাষণ প্ৰসংগত হেমচন্দ্ৰ বৰুৱাই আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱাৰ স'তে লগ লাগি ব্ৰিটিছৰ ওচৰত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে দেহে কেহে সংগ্ৰাম কৰাত ১৯৭১ চনত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা হৈছিল বুলি কয়। পণ্ডিত হেমচন্দ্ৰ বৰুৱাই নাৰীক সন্মান জনাই দ্বিতীয় বিবাহ নকৰাৰ প্ৰসংগও উত্থাপন কৰে নগেন দাসে। সভাত ৰামপুৰস্থিত জনতা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আয়ুব আলী, উদীয়মান যুৱক তথা ভাৰতৰ ছাত্ৰ ফেডাৰেচন চমুকৈ এছএফআইৰ বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ সভাপতি ৰেকিবুল হক, ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ অৱসৰপ্ৰাপ্ত নিদৰ্শক সোণালী আহমেদে বক্তব্য দাঙি ধৰে। সভাত বৰক্ষেত্ৰীৰ নপ্তিপাৰা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক চবিন ডেকা, শ্ৰমিক নেতা ইস্মাইল আলীকে প্ৰমুখ্য কৰি কুৰিগৰাকী ব্যক্তি আৰু জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## ক্ষোভিত একাংশ চাহ শ্ৰমিক, চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদৰ হুংকাৰ

# গেলেকীৰ সংৰক্ষিত বনাঞ্চলৰ মাটি ন্যাসৰ নামত দিবলৈ উঠি-পৰি লাগিছে চৰকাৰ



**ই-সংবাদ, গেলেকী, ১১ ডিচেম্বৰঃ** গেলেকী সংৰক্ষিত বনাঞ্চলৰ এক বৃহৎ পৰিমাণৰ মাটি চৰকাৰে দৈয়াং ন্যাসৰ নামত আবণ্টন দিয়াক লৈ ক্ষুব্ধ হৈ পৰিছে একাংশ চাহ শ্ৰমিক। গেলেকীৰ কমলাবাৰীৰ বনভোজস্থলীৰ সমীপৰ ভালেকেইবা বিঘা মাটি দৈয়াং ন্যাসৰ নামত চৰকাৰে আবণ্টন দিবলৈ লোৱা বুলি স্থানীয় লোকে জানিবলৈ দিছে। যাৰ বাবে এতিয়া নিজৰ ভৱিষ্যতৰ চিন্তাত দিশহাৰা হৈছে একাংশ চাহ শ্ৰমিক। কাৰণ যি ঠাইৰ ভূমি দৈয়াং নামৰ ন্যাসক চৰকাৰে গতাই দিব বিচাৰিছে সেই ঠাইত আছে একাংশ খাটি খোৱা চাহ শ্ৰমিকৰ ক্ষুদ্ৰ চাহ বাগিচা। উল্লেখ্য যে গেলেকী সংৰক্ষিত বনাঞ্চলৰ মাটি দীৰ্ঘদিন দিন ধৰি স্থানীয় শ শ লোকে ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগিচা খুলি নিজৰ নিজৰ পৰিয়াল পোহ পাল দি আহিছে। লগতে এই বাগিচাতে শ্ৰমিক হিচাপে কাম কৰি একাংশ পৰিয়ালে দৈনিক মজুৰি কৰি আহিছে। ইয়াৰে ভিতৰত একাংশ পুঁজিপতিয়ে নিজাববীয়াকৈ বহু মাটি দখল কৰি ক্ষুদ্ৰ চাহ বাগিচা খুলি ব্যৱসায় কৰি গৈছে যদিও সেইসকল পুঁজিপতিয়ে দখল কৰা মাটিলৈ চৰকাৰৰ চকু নপৰি সাধাৰণ চাহ শ্ৰমিকৰ দখলত থকা মাটিলৈ চৰকাৰৰ চকু পৰাত ক্ষুব্ধ হৈ পৰিছে একাংশ চাহ শ্ৰমিক। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড০ হিমান্ত বিশ্ব শৰ্মাই ভূমিহীন পৰিয়ালক ভূমিপট্টা দিয়াৰ কৰা কথা ঘোষণা কৰিছিল যদিও বৰ্তমান তাৰ পৰিৱৰ্তে ভূমিহীন লোকৰ দখলি ভূমি কাঢ়ি লোৱাৰ বাবে ষড়যন্ত্ৰ কৰিছে বুলি অভিযোগ তুলিছে ক্ষোভিত শ্ৰমিকসকলে। চৰকাৰক এই চাহ শ্ৰমিকৰ ক্ষুদ্ৰ বাগিচা উচ্ছেদ কৰি ইয়াৰ মাটি দৈয়াং ন্যাসক দিয়াৰ ব্যৱস্থা বন্ধ কৰিবলৈ দাবী জনাইছে। অন্যথা চৰকাৰ তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদৰ সন্মুখীন হ'ব লাগিব বুলি স্পষ্ট কৰি দিছে ক্ষোভিত লোকসকলে।

# শীতকালতৰ পথ দুৰ্ঘটনা ৰোধৰ বাবে কামৰূপ জিলা আয়ুক্তৰ বিশেষ নিৰ্দেশনা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১১ ডিচেম্বৰঃ** কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই শীতকালৰ সময়ছোৱাত কুঁৱলীৰ ফলত সংঘটিত হোৱা পথ দুৰ্ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ছোৱাত পথ দুৰ্ঘটনাৰ আশংকা হ্ৰাস কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট বিভাগসমূহক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশনা জাৰি কৰে। পথ সুৰক্ষামূলক ব্যৱস্থাৰূপে পথ নিৰ্মাতা সংস্থাসমূহক ষ্ট্ৰীট লাইট আৰু ট্ৰেফিক ছিগনেলসমূহ সঠিকভাৱে কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে সংস্থা কেইটাক জিলাখনৰ পথত, বিশেষকৈ ঘাইপথ আৰু মূল পথসমূহত অতিৰিক্ত ৰিফ্লেক্টিভ পথচিহ্ন আৰু পথ-নিৰ্দেশনা স্থাপন কৰিবলৈ, যান-বাহনৰ চালকক ফ'গ লাইট আৰু অন্যান্য সুৰক্ষা ব্যৱস্থাসমূহ ব্যৱহাৰ কৰাত উৎসাহিত কৰিবলৈ আৰু পদপথৰ কাষত থকা গছ-গছনিৰ ডাল আৰু হাবি-জংঘল, জোপোহা নিয়মীয়াকৈ কটা আৰু চাফা কৰাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। যান-বাহন আইনৰ সঠিক পালন নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি জিলা আয়ুক্তগৰাকীয়ে কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক আৰু জিলা পৰিবহণ বিষয়াক পথত ওলোটা দিশৰ পৰা যান-বাহনৰ চলাচল কঠোৰভাৱে বন্ধ কৰা, যান-জঁট আৰু দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে প্ৰয়োজন অনুসৰি যান-বাহন চলাচলৰ পথ সলনি কৰা, যান-বাহন আইনৰ পালন আৰু যান-বাহনৰ চলাচল নিৰীক্ষণ কৰাৰ বাবে পথত যান-বাহন আৰক্ষীৰ সংখ্যা বৃদ্ধি কৰা, ঠায়ে ঠায়ে বিশেষকৈ বনভোজস্থলীৰ আশে-পাশে মদ্যপান কৰি গাড়ী চলোৱা বন্ধ কৰাৰ বাবে পৰ্যাপ্ত সংখ্যক চেকপইণ্ট স্থাপন কৰা আৰু সুৰাপায়ী চালকৰ বিৰুদ্ধে আইন অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ভালদৰে দেখা পোৱাৰ বাবে সকলো বাণিজ্যিক যান-বহন আৰু গধুৰ যান-বাহনৰ লগতে দূৰণিবটীয়া বাহনক ৰেট্ৰ' ৰিফ্লেক্টিভ টেপ লগাবলৈ উৎসাহিত কৰা আৰু কুঁৱলীৰ সময়ত নিৰাপদ গাড়ী চলোৱা পদ্ধতিৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ বাবে ব্যাপক সজাগতা অভিযানৰ আয়োজনৰ দিশত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। লগতে পথ নিৰ্মাণকাৰী সংস্থাসমূহক পথ দুৰ্ঘটনাৰ আশংকা হ্ৰাস কৰা আৰু সুকলমে যান-বাহনৰ চলাচল নিশ্চিত কৰাৰ বাবে পথসমূহ নিয়মীয়াকৈ মেৰামতি কৰা আৰু পথৰ ওপৰত থকা শিল-বালি বা সুচল যাতায়াতত বাধাৰ সৃষ্টি কৰিব পৰা অন্যান্য সামগ্ৰী পথৰ পৰা আঁতৰ কৰিবলৈ আৰু পথ নিৰ্মাণত নিয়োজিত কৰ্মীসকলে ৰিফ্লেক্টিভ জেকেট পিন্ধাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে দুৰ্ঘটনাৰ সময়ত তৎক্ষণিকভাৱে চিকিৎসা সেৱা আগবঢ়াব পৰাকৈ কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকক এম্বুলেঞ্চ আদিৰ দৰে জৰুৰীকালীন সেৱাসমূহ সাজু কৰি ৰাখিবলৈ আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণক নিয়মীয়াকৈ বতৰৰ আগতীয়া জাননী দিবলৈ নিৰ্দেশ দিয়া হৈছে যাতে সকলোৱে সেই মতে নিজৰ যাত্ৰাৰ পৰিকল্পনা কৰিব পাৰে। সকলো বিভাগকে উপৰিক্ত পৰামৰ্শৱলী কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উক্ত নিৰ্দেশনা পালন নকৰিলে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিছে।

# নগাঁৱৰ শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অত্যাধুনিক ভৱনৰ শিলান্যাস স্থাপন



**ই-সংবাদ, বেবেজীয়া, ১১ ডিচেম্বৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ডিমৌ চাৰিআলিস্থিত সোণালী জয়ন্তী গৰকা ঐতিহ্যমণ্ডিত শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ নিৰ্মাণ হ'বলগীয়া এটি অত্যাধুনিক ভৱনৰ মঙলবাৰে আধাৰশিলা স্থাপন কৰা হয়। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অসম গ্ৰামীণ আন্তঃগাঁথনি উন্নীতকৰণ আঁচনিৰ অধীনত ৭ কোটি ৪১ লাখ টকাৰে নিৰ্মাণ হ'বলগীয়া অত্যাধুনিক ভৱনটোৰ আধাৰশিলা স্থাপন কৰে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা বিধায়ক শশীকান্ত দাসে। নিজে পঢ়া বিদ্যালয়খনৰ নিৰ্মাণ হ'বলগীয়া ভৱনৰ এনেদৰে আধাৰশিলা স্থাপন কৰিবলৈ পাই নষ্টালজিক হৈ পৰি বিধায়কগৰাকীয়ে এয়া তেওঁৰ বাবে পৰম সৌভাগ্যৰ কথা বুলি কয়। ইয়াৰ পিছতে আধাৰশিলা স্থাপন উপলক্ষে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহেশ্বৰ দেৱগোস্বামীৰ পৌৰোহিত্যত এখনি সভা অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰ নেতা পংকজ দাসে আঁত ধৰা সভাখনিত প্ৰাক্তন মন্ত্ৰী উমেশ চন্দ্ৰ দাস উপস্থিত থাকি শিক্ষকসকলক তেওঁ ঈশ্বৰ প্ৰেৰিত দেৱদূত আখ্যা দি বিদ্যালয়খন সুন্দৰ হ'লেই নহ'ব, ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক দিশত সুন্দৰ হ'ব লাগিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক খগেন মুক্তিয়াৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ণ সমিতিৰ কাৰ্যকৰী সভাপতি পদ্ম গোস্বামীয়ে। সভাত প্ৰাক্তন প্ৰধান শিক্ষক যোগেন দাস, সমাজকৰ্মী ভৱেন বাগীশ, অসম আন্দোলনৰ অগ্ৰণী নেতা দেৱ বৰা, অগপ নেতা বিনোদ বৰুৱা, তিৱা স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যবাহী সদস্য বকুল দেউৰী আদিকে প্ৰমুখ্য কৰি বহুসংখ্যক লোক উপস্থিত থাকে।



হাজোত সদ্য ঘোষিত এপিএছচিত উজলি উঠা বৰষা মালাকৰক সম্বৰ্ধনা গাঁওবাসীৰ, ফটোঃ ই-সংবাদ, হাজো

## মৰিগাঁৱত তীব্ৰ চাঞ্চল্য, দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা

# কৃতী শিক্ষকৰ বঁটাপ্ৰাপ্ত শিক্ষকৰ বিৰুদ্ধে ছাত্ৰীক যৌন নিগ্ৰহৰ অভিযোগ

**ই-সংবাদ, মৰিগাঁও, ১১ ডিচেম্বৰঃ** গুৰু-শিস্যৰ পৱিত্ৰ সম্পৰ্কক কলুষিত কৰি মৰিগাঁও জিলাৰ এখন বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে নিজ বিদ্যালয়ৰে ছাত্ৰীক যৌন নিগ্ৰহ চলোৱাৰ ঘৃণনীয় অভিযোগ উত্থাপন হোৱাত জিলাখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে, উত্থাপিত এই অভিযোগ সন্দৰ্ভত মৰিগাঁও জিলা প্ৰশাসনে এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছে। প্ৰাপ্ত তথ্য মতে, জিলাখনৰ দলৈছুবা মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল নাথৰ বিৰুদ্ধে বিদ্যালয়খনৰ একাংশ ছাত্ৰী আৰু বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে মানসিক আৰু যৌন নিৰ্যাতন চলোৱা বুলি অভিযোগে তোলে। এটা বছৰ পূৰ্বে বিদ্যালয়খনত যোগদান কৰা প্ৰধান শিক্ষকজনে বিভিন্ন সময়ত বিদ্যালয়ৰ একাংশ ছাত্ৰীৰ ঘৰে ঘৰে গৈ পঢ়া-শুনাৰ খবৰ লোৱাৰ চলেৰে মানসিক-যৌন নিৰ্যাতন চলোৱাৰ লগতে বিদ্যালয়তো অনুৰূপ কাৰ্য সংঘটিত কৰা বুলি প্ৰকাশ কৰি একাংশ ভুক্তভোগী ছাত্ৰীয়ে তদন্ত বিচাৰি বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ জৰিয়তে বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ অভিযোগ পত্ৰ প্ৰেৰণ কৰে। মৰিগাঁও জিলা হাইস্কুল শিক্ষক সন্থাৰ সম্পাদকৰ পদত বৰ্তমানে কাৰ্যনিৰ্বাহ কৰি থকা তথা বিগত সময়ত কৃতী শিক্ষকৰ বঁটা লাভ কৰা লোকজনৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপিত হোৱাত চৌদিশে হুৱা-দুৱা লগা পৰিলক্ষিত হৈছে। আনহাতে, এই সমস্ত অভিযোগ অস্বীকাৰ কৰি ইয়াক এক ষড়যন্ত্ৰ আখ্যা দিছে প্ৰধান শিক্ষক নাথে। ইফালে, এই সমস্ত ঘটনা সন্দৰ্ভত এক দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ঘোষণা কৰিছে মৰিগাঁও জিলা প্ৰশাসনে। অতিৰিক্ত আয়ুক্তই এক নিৰ্দেশনা যোগে(নিৰ্দেশনা নং এম এম জে.২০/২০২৪/৩) মৰিগাঁও ৰাজহ চক্ৰ বিষয়াক এই সন্দৰ্ভত তদন্ত কৰি প্ৰতিবেদন দিবলৈ নিৰ্দেশ দিছে।

# পৰমাইভেটিত ড্ৰাগছসহ আটক সৰবৰাহকাৰী

**ই-সংবাদ, বেবেজীয়া, ১১ ডিচেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাতো দীৰ্ঘদিনৰে পৰা অব্যাহত আছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। কিন্তু আৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ ড্ৰাগছ ব্যৱসায়ী চক্ৰই আৰক্ষীলৈ কেৰেপ নকৰি চলাই আহিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। ইয়াৰ মাজতে জিলাখনৰ পৰমাইভেটিত আৰক্ষীৰ জালত পৰে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছসহ এটা সৰবৰাহকাৰী। ধৃত সৰবৰাহকাৰীটো হৈছে পৰমাইভেটিৰ আব্দুল কাদিৰ। আচলতে, এক গোপন সূত্ৰৰ পম খেদি জুৰীয়া আৰক্ষী থানা আৰু দগাঁও আৰক্ষী পহৰা চকীৰ আৰক্ষীৰ দলে মঙলবাৰে নিশা যুটীয়াভাৱে পৰমাইভেটিত অভিযান চলাই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীটোক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। এই অভিযানত আৰক্ষীয়ে সৰবৰাহকাৰী আব্দুল কাদিৰৰ পৰা এটা চাবোনৰ বাকচত থকা ৭৪.৪১ গ্ৰাম ড্ৰাগছৰ লগতে বহুকেইটা খালী কন্টেইনাৰ জব্দ কৰে। দীৰ্ঘদিনৰে পৰা আৰক্ষীৰ চকুত ধূলি দি ধৃত সৰবৰাহকাৰীটোয়ে ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি জানিব পৰা গৈছে।

# বনাঞ্চল এৰি জনাঞ্চলত বন্যহস্তী, আতংকিত পৰ্বতঝোৰাৰ গঞা

**ই-সংবাদ, পৰ্বতঝোৰা, ১১ ডিচেম্বৰঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ মহামায়া বনাঞ্চলৰ সীমামুৰীয়া অঞ্চল তথা গাঁওসমূহত বিগত কিছুদিনৰ পৰা বানাঞ্চলৰ পৰা বন্যহস্তীৰ জাকে নিশা নামি আহি আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বিভিন্ন বনাঞ্চলৰ লগতে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা বন্যহাতীৰ এটা দলে প্ৰৱেশ কৰে। ৰাষ্ট্ৰীয় ঘাইপথৰ গাতে লাগি থকা মাণিপুৰ, মাক্ৰিঝোৰা, আলুপাৰা আদি অঞ্চলৰ থকা গাঁওসমূহত বন্যহস্তীয়ে প্ৰৱেশ কৰি এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। পিছত ৰাইজে বিভিন্ন ধৰণৰ পন্থা অৱলম্বন কৰি হাতীৰ জাকটোক খেদি পঠাবলৈ সক্ষম হয়। ৬/৭ টা হাতী থকা জাকটোৱে পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত সীমামুৰীয়া গাঁওসমূহত প্ৰৱেশ কৰি ঘৰ-দুৱাৰ ভঙাৰ লগতে ধানখেতি, পথাৰৰ বিভিন্ন শস্য, সামগ্ৰী তহিলং কৰি এক ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। কিছুদিন পূৰ্বে মহামায়াৰ টিপকাই গড়কাপ্টানী পথত বন্যহস্তীয়ে অৱস্থান কৰি পথচাৰী অহা-যোৱা কৰাত বাধাৰ সৃষ্টি কৰাৰ লগতে এজন বাইক আৰহীক খেদি যোৱাত বাইক আৰোহীজনৰ কোনোমতে প্ৰাণ ৰক্ষা পৰে যদিও পেলাই থৈ যোৱা বাইকখন বনৰীয়া হাতীয়ে ভৰিৰে মোহাৰি ভাঙি লণ্ড ভণ্ড কৰে। ইয়াৰ পিছৰে পৰা ৰাইজে মহামায়াৰ পৰা টিপকাই অভিমুখে দিনৰ ভাগতে এক আতংকময় পৰিৱেশৰ মাজেৰে যাতায়াত কৰিব লগা হৈছে। আনহাতে, পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত মাক্ৰিঝোৰা, সৃষ্টি, শিলবান, হাতীবান্ধা, সৃষ্টি, টংচীঝোৰা, দামপুৰ আদি অঞ্চলত বিগত সময়ৰ পৰা বন্য হাতীৰ উপদ্ৰৱত ৰাইজে একপ্ৰকাৰ ভীতিগ্ৰস্ত হৈ উজাগৰে নিশা অতিবাহিত কৰিবলীয়া হৈছে। বনৰীয়া হাতীৰ এনে এক আতংকময় পৰিৱেশৰ পৰা ৰাইজক বচাবলৈ বন বিভাগক বিভিন্ন সময়ত আভিযোগ দি আহিলেও ইয়াৰ কোনো সুফল ৰাইজে পাবলৈ সক্ষম হোৱা নাই। পৰ্বতঝোৰাৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ ৰাইজে যোৱা কিছুদিনৰ পৰা বন্যহস্তীৰ ভয়ত প্ৰাণৰ মমতাত ৰাতি হ'লেই নিজৰ ঘৰ-বাৰী এৰি আন ঠাইত আশ্ৰয় ল'বলগীয়া হৈছে।

# চাহ বাগিচাসমূহত কীটনাশক ব্যৱহাৰৰ বিৰুদ্ধে সক্ষম চৰাইদেউ জিলা প্ৰশাসন

**ই-সংবাদ, সোণাৰি, ১১ ডিচেম্বৰঃ** চৰাইদেউ জিলাৰ চাহ বাগিচাসমূহত ক্ষতিকাৰক তথা নিষিদ্ধ কীটনাশক বিক্ৰী আৰু ব্যৱহাৰ ৰোধ কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাপনা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ অৰ্থে চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত তথা আৰক্ষী অধীক্ষক সুৰজীৎ সিং পানেছৰৰ উপস্থিতিত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে নিষিদ্ধ তথা ক্ষতিকাৰক কীটনাশকৰ তালিকাৰ বিষয়ে উল্লেখ কৰি জিলা কৃষি বিভাগক এই তালিকাৰ বিষয়ে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ লগতে এফ পি অ'সমূহক অৱগত কৰিবলৈ কোৱাৰ লগতে স্বাস্থ্য বিভাগক নিষিদ্ধ তথা ক্ষতিকাৰক কীটনাশকসমূহৰ ব্যৱহাৰৰ দুষ্প্ৰভাৱৰ বিষয়ে চাহ খেতিয়কসকলৰ মাজত ব্যাপক জনসচেতনতা সৃষ্টি কৰিবলৈ কয়। পৰৱৰ্তী পৰ্যায়ত নিষিদ্ধ তথা ক্ষতিকাৰক কীটনাশকসমূহৰ বিক্ৰী আৰু ব্যৱহাৰৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জিলা আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি দিয়ে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱণা সোণোৱাল, কৃষি, স্বাস্থ্য, উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ আদি বিভাগৰ বিষয়াসকল আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## চৰাইদেউত আঞ্চলিক পঞ্চায়তৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা প্ৰকাশ

**ই-সংবাদ, সোণাৰি, ১১ ডিচেম্বৰঃ** অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ এক শেহতীয়া নিৰ্দেশনা মৰ্মে ১ জানুৱাৰী, ২০২৫ক ভিত্তি তাৰিখ হিচাপে গ্ৰহণ কৰি চৰাইদেউ জিলা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত লাকুৱা, সাপেখাতি, সোণাৰি আৰু মাহমৰা আঞ্চলিক পঞ্চায়তৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা, ২০২৪ আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত তথা আৰক্ষী অধীক্ষক সুৰজীৎ সিং পানেছৰৰ উপস্থিতিত জিলাখনৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিবৰ্গ, এ আৰ অ', এ ই আৰ অ' আৰু পঞ্চায়তসমূহৰ সচিবসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। ফটোবিহীন খচৰা ভোটাৰ তালিকা অনুসৰি চৰাইদেউ জিলাৰ পঞ্চায়তসমূহৰ মুঠ ২,৯১,৬৩৪ ভোটাৰৰ ১,৪৪,১১২ গৰাকী পুৰুষ, ১,৪৭,৫১২ মহিলা ভোটাৰ আৰু ১০ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। চৰাইদেউ জিলাৰ পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত ৮ খন জিলা পৰিষদ, ৪ খন আঞ্চলিক পঞ্চায়ত, ৩৬ খন গাঁও পঞ্চায়ত, ৩৬০ টা ৱাৰ্ড আৰু ৩৮০ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ভোটাৰ তালিকাখন অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ অ'ইআৰএমএছ(OERMS) ৱেবছাইট https://ermssec.assam.gov.in/ ত উপলব্ধ কৰোৱা হৈছে। এই ৱেবছাইটযোগে ভোটাৰসকলে নিজৰ ভোটাৰ কাৰ্ডৰ এপিক(EPIC) নম্বৰৰ জৰিয়তে নিজৰ নাম পৰীক্ষা কৰাৰ লগতে ভোটাৰ তালিকা ডাউনলোড কৰিব পাৰিব। আজিৰ বৈঠকত মাহমৰাৰ সমজিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোম, অতিৰিক্ত জিলা আয়ুক্ত(উন্নয়ন) নৱদ্বীপ চাংমাই, সহকাৰী আয়ুক্ত অঞ্জন জ্যোতি দ'লে প্ৰমুখ্যে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# বাঘৰ ছালৰ সৈতে নীলবাগানত দুই সৰবৰাহকাৰীক আটক সীমা শুল্ক বিভাগৰ

**ই-সংবাদ, মোৰাঝাৰ, ১১ ডিচেম্বৰঃ** ৰাজ্যত এতিয়াও অব্যাহত আছে বন্য প্ৰাণীৰ অংগ-প্ৰত্যংগৰ চোৰাং বেহা। জানিব পৰা মতে, যোৱা ৯ ডিচেম্বৰৰ নিশা হোজাই জিলাৰ নীলবাগানত সীমা শুল্ক বিভাগে অভিযান চলাই বাঘৰ ছাল আৰু বাঘৰ বিভিন্ন অংগৰ সৈতে দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। বন্যপ্ৰাণীৰ অংগ-প্ৰত্যংগসহ আটক কৰা দুই সৰবৰাহকাৰী ক্ৰমে ডবকাৰ কচাৰীপাৰা গাঁৱৰ আব্দুছ চালাম আৰু নীলবাগানৰ সমীপৰ মেথিগাঁৱৰ চেলিম উদ্দিন। জানিব পৰা মতে, দুয়োৱে কবলৰ পৰা এটা ঢেঁকীয়াপতীয়া বাঘৰ ছাল আৰু হাঁড়ৰ লগতে জব্দ কৰে AS-02 L-3099 নম্বৰৰ এখন গ্লেমাৰ বাইক। আটক কৰা লোকদ্বয়ক সেই নিশাই সীমা শুল্ক বিভাগৰ বিষয়াসকলে গুৱাহাটীলৈ লৈ যায় আৰু তাতে সোধা-পোছা কৰি কালি নিশা আটক কৰা দুই সৰবৰাহকাৰীৰ লগতে জব্দ কৰা সামগ্ৰীসমূহ ডবকাৰ যমুনাভেলী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত চমজাই দিয়ে সীমা শুল্ক বিভাগে। বন বিভাগে ইতিমধ্যে বন্যপ্ৰাণী সুৰক্ষা আইনৰ অধীনত এটি গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। জানিব পৰা মতে, কাৰ্বিআংলং জিলাৰ ডকমকাৰ বিজয় ৰংহাং নামৰ লোকজনে বাঘৰ ছাল আৰু হাঁড়, মূৰসমূহ ধৃত দুই সৰবৰাহকাৰীৰ ওচৰত বিক্ৰী কৰিছিল। সৰবৰাহকাৰী দুটাই বঙাইগাঁৱৰ কোনো লোকক বিক্ৰী কৰাৰ কথাও আছিল। আনহাতে, ঢেঁকীয়াপতীয়া বাঘটো কেতিয়া আৰু ক'ত হত্যা কৰা হৈছিল সেই তথ্য পোহৰলৈ অহা নাই যদিও প্ৰাথমিক পৰ্যবেক্ষণ কৰি এই বাঘটো আজিৰ পৰা কমেও ডেৰ-দুমাহ মান আগতে চোৰাং চিকাৰীয়ে হত্যা কৰাৰ সন্দেহ কৰিছে বন বিভাগৰ বিষয়াসকলে। আটকাধীন আব্দুছ ছালাম আৰু ছেলিম উদ্দিনক আজি শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰা হয়।

# সদৌ অসম কবি সন্মিলনৰ বিভিন্ন বঁটাৰ বাবে আহ্বান

**ই-সংবাদ, বেবেজীয়া, ১১ ডিচেম্বৰঃ** আমাৰ মাজত লুকাই থকা প্ৰতিভাসম্পন্ন কবিসকলক একেখন মঞ্চতে একত্ৰিত কৰি এক সুস্থ কাব্যিক পৰিমণ্ডল সৃষ্টি কৰাৰ মানসেৰে পৃথিৱীৰ কবি ৰাম গগৈৰ প্ৰচেষ্টাত বহুকেইগৰাকী কাব্য-মনীষীৰ সহযোগত ১৯৮৭ চনৰ ৬ ছেপ্টেম্বৰত কাব্যনগৰী নামৰূপত কেৱল কবি আৰু কবিতাৰ বাবে জন্মলাভ কৰা 'সদৌ অসম কবি সন্মিলন' উত্তৰ-পূব ভাৰতৰ একমাত্ৰ বৃহৎ জাতীয় কাব্য সংগঠন। প্ৰতিষ্ঠা কালৰে পৰা এই বৃহৎ জাতীয় অনুষ্ঠানটিয়ে সুদীৰ্ঘ সাতত্ৰিছ বছৰে অসমৰ কাব্যজগতত ন ন কাৰ্যসূচী সম্পাদন কৰি কবিতাক মানুহৰ প্ৰিয়তম সম্পদলৈ ৰূপান্তৰিত কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। বিগত বৰ্ষসমূহৰ দৰে এইবাৰো সদৌ অসম কবি সন্মিলনৰ সপ্তদশ শিৱসাগৰ অধিৱেশনত অসমৰ কাব্যৰ পথাৰলৈ অৱদান আগবঢ়োৱা কবি-সাহিত্যিকসকলক তেওঁলোকৰ সাধনাৰ বাবে সদৌ অসম কবি সন্মিলনৰ 'পৃথিৱীৰ কবি ৰাম গগৈ কাব্য বঁটা', 'কবিপ্ৰাণ আনন্দ দত্ত কাব্য বঁটা', 'কাব্যপ্ৰাণ চুজাউদ্দিন আহমদ কাব্য বঁটা', 'অৱনী চক্ৰৱৰ্তী কাব্য বঁটা', 'বেণু চিৰিং বঁটা', 'সমাজকৰ্মী ইন্দ্ৰেশ্বৰ মিলি কাব্য বঁটা', 'সম্প্ৰীতি(টুকটুক) শইকীয়া সোঁৰণী বছৰৰ শ্ৰেষ্ঠ যুৱ কবিৰ সন্মান', 'কাব্যশ্ৰী হাজৰিকা উদগনিমূলক বঁটা', 'আলহাজ চৈয়দ আমান উল্লাহ শিশু কাব্য বঁটা', 'পৰেশ মল্ল বৰুৱা সোঁৰণী অনুবাদ কাব্যগ্ৰন্থ বঁটা' প্ৰদান কৰা হ'ব। পৃথিৱীৰ কবি ৰাম গগৈ কাব্য বঁটাৰ বাবে ২০২৩-২৪ বৰ্ষত প্ৰকাশিত কাব্যগ্ৰন্থৰ তিনিটা কপি, কবিপ্ৰাণ চুজাউদ্দিন আহমদ কাব্য বঁটাৰ বাবে চল্লিশ বছৰ অনুৰ্ধ্বৰ কবিৰ ২০২৩-২৪ বৰ্ষত প্ৰকাশিত কাব্যগ্ৰন্থৰ তিনিটা কপি, ত্ৰিশ বছৰ অনূৰ্ধ্ব কবিৰ পঁচিশটা কবিতাৰ পাণ্ডুলিপিৰ ভিত্তিত 'অৱনী চক্ৰৱৰ্তী কাব্য বঁটা', ২০২৩-২৪ বৰ্ষত প্ৰকাশিত এখন আলোচনাত্মক গ্ৰন্থৰ বাবে 'বেণু চিৰিং বঁটা', দহটা সন্ত্ৰাসবিৰোধী কবিতাৰ পাণ্ডুলিপিৰ ভিত্তিত পঁচিশ বছৰ অনুৰ্ধ্ব কবিক 'সমাজকৰ্মী ইন্দ্ৰেশ্বৰ মিলি কাব্য বঁটা' আৰু বিশ বছৰ অনূৰ্ধ্ব কবিৰ ২০২৩-২৪ বৰ্ষত প্ৰকাশিত কাব্যগ্ৰন্থৰ ভিত্তিত 'কাব্যশ্ৰী হাজৰিকা উদগনিমূলক বঁটা', পঁচিশটা কবিতাৰ পাণ্ডুলিপিৰ ভিত্তিত ওঠৰ বছৰ অনূৰ্ধ্ব কাব্যচৰ্চাকাৰীক 'আলহাজ চৈয়দ আমান উল্লাহ শিশু কাব্য বঁটা', পৰেশ মল্ল বৰুৱা সোঁৰণী(সকলো বয়সৰ বাবে মুকলি) অনুবাদ কাব্যগ্ৰন্থ বঁটা আৰু এগৰাকী চল্লিশ বছৰ অনূৰ্ধ্ব কবিক সম্প্ৰীতি(টুকটুক) শইকীয়াৰ সোঁৰণত বছৰটোৰ শ্ৰেষ্ঠ যুৱ কবিৰ সন্মান প্ৰদান কৰা হ'ব। এই বঁটাসমূহৰ বাবে অসমৰ ইচ্ছুক কবি, সাহিত্যিকৰ পৰা কাব্যগ্ৰন্থ, আলোচনাত্মক গ্ৰন্থ, কবিতাৰ পাণ্ডুলিপিৰ তিনিটাকৈ কপি, বায়'ডাটা, বয়সৰ প্ৰমাণ পত্ৰসহ(প্ৰয়োজন সাপেক্ষে) অহা ২২ ডিচেম্বৰৰ ভিতৰত পোৱাকৈ চৈয়দ পাৰভিজ হুচেইন, প্ৰধান সম্পাদক, সদৌ অসম কবি সন্মিলন, সংস্কৃতি প্ৰকাশন, মকতব স্কুলৰ সন্মুখত, মহাত্মা গান্ধী পথ, যোৰহাট-১ এই ঠিকনাত প্ৰেৰণ কৰিবলৈ সদৌ অসম কবি সন্মিলনৰ প্ৰচাৰ বিভাগৰ তৰফৰ পৰা জনোৱা হৈছে।

# লাহৰীঘাট বজাৰৰ গড়কাপ্তানী পথৰ দুয়োকায়ে বেদখলৰ বিৰুদ্ধে ল'ব ব্যৱস্থা

**ই-সংবাদ, লাহৰীঘাট, ১১ ডিচেম্বৰঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ মৰিগাঁও জিলা সমিতিৰ অন্তৰ্গত লাহৰীঘাট আঞ্চলিক সমিতিয়ে বিগত কিছু দিন পূৰ্বে লাহৰীঘাট সমজিলা আয়ুক্তলৈ কেইবাটাও দাবী সম্বলিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰিছিল। লাহৰীঘাট বজাৰত অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ দাবী উত্থাপন কৰি স্মাৰক পত্ৰ প্ৰদান কৰিছিল আমছু এটি সাঁজাতি দলে। উল্লেখ্য যে, লাহৰীঘাট বজাৰৰ গড়কাপ্তানী পথৰ দুয়োকাষে একাংশ লোকে অবৈধভাৱে দখল কৰি দোকান দিয়া ফলত যান-জঁটৰ সৃষ্টি হোৱাত যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিব লগা হৈছে সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে। অবৈধ বেদখলকাৰীসকলক অতিশীঘ্ৰেউচ্ছেদৰ লগতে ই-ৰিক্সাসমূহৰ অতপালি নিয়ন্ত্ৰণলৈ আনিবলৈ দাবী উত্থাপন কৰি সমজিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে আমছুৱে। লাহৰীঘাট আমছুৱে প্ৰদান কৰা স্মাৰক প্ৰত্ৰৰ পিছতেই তৎপৰ হৈ পৰিল সমজিলা আয়ুক্ত। কালি দুপৰীয়া লাহৰীঘাটত সমজিলা ACS বিষয়া নম্ৰতা চাহুয়ে বজাৰখনৰ বিভিন্ন স্থান ক্ষেত্ৰ অধ্যয়ন কৰা পৰিলক্ষিত হয়। বিষয়াগৰাকীয়ে অতিশীঘ্ৰেই লাহৰীঘাট বজাৰত দীৰ্ঘদিন ধৰি চলি অহা অবৈধ বেদখলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা আশ্বাস প্ৰদান কৰে। ক্ষেত্ৰ অধ্যয়নৰ সময়ত বিষয়াগৰাকীক সংগ দিয়ে লাহৰীঘাট আঞ্চলিক আমছুৰ সভাপতি জেহেৰুল ইছলাম, আমছু কৰ্মীসকল আৰু স্থানীয় ৰাইজে।

# মঙলদৈ গ্ৰন্থমেলাৰ বাকৰিত অৰ্দ্ধশতাধিক কবিৰ শব্দৰ গুণগুণনি

**ই-সংবাদ, মঙলদৈ, ১১ ডিচেম্বৰঃ** মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত মঙলদৈ গান্ধী ময়দানত চলি থকা গ্ৰন্থমেলাত মঙলবাৰে দিনজোৰা কাৰ্যসূচীৰে এখনি কবি সন্মিলন অনুষ্ঠিত হয়। দিনৰ ১১.৩০ বজাত কবি সন্মিলন আৰম্ভ হয় মলয় বৰুৱাৰ পৰিচালনাত স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে। কবি সন্মিলন উদ্বোধন কৰে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা, বিশিষ্ট কবি, সাহিত্যিক ডঃ বিনিতা বড়া দেৱ চৌধুৰীয়ে। তেওঁ বৰ্তমান যুগৰ কবিতাত থকা প্ৰেমৰ ভাব নতুন নহয়, কবিতাত শংকৰদেৱৰ পৰা আজিলৈকে প্ৰেম একেদৰে আছে বুলি উল্লেখ কৰি কেৱল প্ৰকাশ ভংগীহে বেলেগ হৈছে বুলি কয়। তেওঁ লগতে কয় যে আধুনিক কবিতাত কবিৰ চেতনা বৃদ্ধি পাইছে। তেওঁ কবি সন্মিলন উপ-সমিতিয়ে প্ৰস্তুত কৰা আৰু নিৰ্মল মণ্ডলৰ দ্বাৰা সম্পাদিত 'গ্ৰন্থমেলাৰ কবিতা' কাব্য সংকলনখন উন্মোচন কৰে। কবি সন্মিলন উপ-সমিতিৰ সম্পাদক প্ৰফুল্ল দেৱ শৰ্মাই আঁত ধৰা এই কবি সন্মিলনৰ সঞ্চালক হিচাপে উপস্থিত থাকে বিশিষ্ট কবি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ এম কামালুদ্দিন আহমেদ। তেওঁ সাৱলীল ভাষাত কয় যে আধুনিক কবিতাৰ অৰ্থ কবিয়ে উলিয়ায় নিদিয়ে, পাঠক বা শ্ৰোতাই বিচাৰি ল'ব লাগিব। আমন্ত্ৰিত অতিথি হিচাপে বিশিষ্ট আবৃত্তিকাৰ ডঃ হিতেশ গোস্বামী আৰু বিশিষ্ট কবি দিলীপ ফুকন উপস্থিত থাকে। দুয়োগৰাকী আমন্ত্ৰিত অতিথিয়ে সুন্দৰ কবিতা আবৃত্তি কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত কবি ৰঞ্জিতা শৰ্মা, অনামিকা ৰয় হাজৰিকা, দিলীপ কুমাৰ শৰ্মা, প্ৰমোদ ৰঞ্জন সাহা, জয়ন্ত দাস, ৰাজীৱ ৰাভা, অমূল্য শৰ্মা, ঘন হাজৰিকা, চন্দ্ৰমা শৰ্মা, সোণেশ্বৰী দাস, ভাস্কৰ জ্যোতি নাথ, বিনীতা চহৰীয়া, মিনাক্ষী শইকীয়া, মাধৱ দেৱনাথ, হৰেন্দ্ৰ ৰাজবংশী, প্ৰণৱ নাৰায়ণ কোঁৱৰ, ডাঃ জয়ন্ত কুমাৰ নাথ, ডাঃ মহেশ ডেকা, মলয় বৰুৱা, শাশ্বতী শৰ্মা, নিৰ্মল মণ্ডল, মহাশ্বেতা দেৱী, প্ৰিয়াংশী শিৰম, সমীৰণ শৰ্মা, হেমন্ত কুমাৰ বৰুৱা, ডাঃ মৃণ্ময় কুমাৰ নাথ, পপী চহৰীয়া, বনলতা দেৱী, চন্দনা ভাৰতী, সংগীতা বসুমতাৰী, ওমৰ আলী, প্ৰেমদা চহৰীয়াকে ধৰি প্ৰায় অৰ্ধ শতাধিক কবিয়ে কবিতা পাঠ কৰে।আনহাতে, দিনৰ ১০ বজাত হোৱা কবিতা আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট আবৃত্তিকাৰ কৃষ্ণেন্দু ডেকাই। ছাত্ৰ-ছাত্ৰীৰ কবিতা আবৃত্তি প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ 'ক' শাখাত নিৰ্বাচিত কবিতা ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'গছ ভাল পোৱা ককাৰ খং' আৰু নৱম শ্ৰেণীৰ পৰা স্নাতক মহলালৈ 'খ' শাখাত নিৰ্বাচিত কবিতা হীৰেন ভট্টাচাৰ্যৰ 'মোৰ দেশ'। দুয়োটা শাখাতে প্ৰায় ৩০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই কবিতা আবৃত্তি প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰিয়াংশী শিৰমে প্ৰথম স্থান, ধ্যান প্ৰজ্ঞান চৌধুৰীয়ে দ্বিতীয় স্থান আৰু ৰিয়া চৌধুৰীয়ে তৃতীয় স্থান লাভ কৰে। আনহাতে 'খ' শাখাত মনালিছা ডেকা আৰু বেদান্ত শৰ্মাই যুটীয়াভাৱে প্ৰথম স্থান, জয়শ্ৰী বৰুৱাই দ্বিতীয় স্থান আৰু কৃতাঞ্জলী ডেকাই তৃতীয় স্থান লাভ কৰে।

# গো-মাংস বিক্ৰী কৰি গেলেকীত ধৃত দুই

**ই-সংবাদ, আমগুৰি, ১১ ডিচেম্বৰঃ** ৰাজ্যত গো-মাংস বিক্ৰীৰ ক্ষেত্ৰত চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰাৰ পিছৰে পৰা সন্তৰ হৈ পৰিছে অসম আৰক্ষী। গো-মাংস বিক্ৰী কৰাৰ অপৰাধত গেলেকীৰ লক্ষ্মীজান বাগিচাৰ ৬ নং লাইনৰ চানচন লগন আৰু লক্ষ্মীজান জুবিন লাইনৰ চামৰা মুণ্ডা নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে গেলেকী আৰক্ষীয়ে। স্থানীয় গাঁওৰক্ষী বাহিনীৰ অভিযোগৰ ভিত্তিত গেলেকী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে লোক দুজনক। জানিব পৰা মতে, চামৰা মুণ্ডা নামৰ লোকজনে নিজা গৃহৰ এটা আঘাতপ্ৰাপ্ত গৰু কাটি মাংস বিক্ৰী কৰিছিল স্থানীয় লাইনত। এই ঘটনা গম পোৱাত স্থানীয় গাঁওৰক্ষী বাহিনীয়ে গেলেকী আৰক্ষীৰ ওচৰত অভিযোগ দাখিল কৰে। সেই অভিযোগৰ ভিত্তিতেই গেলেকী আৰক্ষীয়ে প্ৰথম অৱস্থাত লোক দুজনক আটক কৰাৰ লগতে কটা গৰুৰ দেহৰ কেইটামান অংশ জব্দ কৰে। পৰৱৰ্তী সময়ত গেলেকী আৰক্ষীয়ে পশুধন সুৰক্ষা আইনৰ অধীনত গোচৰ ৰুজু কৰি অভিযুক্তক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰে।

# খুটাবাগৰাত শ্বহীদ লাফিকুল ইছলাম আহম্মেদ মেম'ৰিয়েল ৰাজহুৱা ভৱন উদ্বোধন

**ই-সংবাদ, পৰ্বতঝোৰা, ১১ ডিচেম্বৰঃ** পৰ্বতঝোৰাৰ খুটাবাগৰাত নৱনিৰ্মিত শ্বহীদ লাফিকুল ইছলাম আহম্মেদ মেম'ৰিয়াল ৰাজহুৱা ভৱনৰ আজি শুভ উদ্বোধন কৰা হয়। উদ্বোধন কৰে বিধায়ক ল'ৰেন্স ইছলাৰীয়ে। উল্লেখ্য যে বড়ো ভূমিৰ ছাত্ৰ সংগঠন এবিএমছুৰ নেতা শ্বহীদ লাফিকুল ইছলাম আহম্মেদৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ বাবে বিটিআৰ চৰকাৰে দেবিতোলাৰ খুটা বাগৰাগাঁৱত অলপতে এই ভৱন নিৰ্মাণ কাম সম্পন্ন কৰে। লাফিকুল ইছলাম আহম্মেদ মেম'ৰিয়াল নামৰ ৰাজহুৱা ভৱনটোৰ আজি দ্বাৰ মুকলি কৰে কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক ল'ৰেন্স ইছলাৰীয়ে। ভৱন উদ্বোধন কৰি বিধায়ক ইছলাৰীয়ে কয় যে ছাত্ৰ নেতা লাফিকুল ইছলাম হত্যাকাণ্ডৰ লগত জড়িত অভিযুক্তৰ নাম পৰিচয় আৰু তালিকা প্ৰস্তুত



কৰিছে চিবিআয়ে যদিও অভিযুক্তসকল পলাতক হৈ থকাত আততায়ীক অসম চৰকাৰে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই। শ্বহীদ লাফিকুল ইছলামৰ হত্যাকাৰীক চৰকাৰে সোনকালে গ্ৰেপ্তাৰ কৰিব বুলি আশা ব্যক্ত কৰে বিধায়ক ল'ৰেন্স ইছলাৰীয়ে।

# একেদিনাই ৮টাকৈ কামৰ আধাৰশিলা স্থাপন বিধায়ক আব্দুল বাতিন খন্দকাৰৰ

**ই-সংবাদ, কোকিলা ১১ ডিচেম্বৰঃ** বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে আজি ৮টাকৈ কামৰ আধাৰশিলা স্থাপন কৰি পুনৰ চৰ্চিত হৈছে। জানিব পৰা মতে, আজি পুৱা উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে নাম্বাৰপাৰা মডেল হাইস্কুলত ১৮ লাখ টকা ব্যয়ৰে আৰ্ট এণ্ড ক্ৰাফ্টৰ কোঠালীৰ কামৰ আধাৰশিলা স্থাপন কৰে। তাৰ পিছতে পিএমচি আঁচনিৰ ৯০ হাজাৰ টকাৰ কামৰ শুভাৰম্ভ কৰে। দুপৰীয়া ভাণ্ডাৰা গাঁও পঞ্চায়তত উপস্থিত হৈ ২০২২-২৩ বৰ্ষৰ পঞ্চদহ বিত্তীয় আয়োগৰ ১লাখ ৭৫ হাজাৰ টকা ব্যয়ৰে মডেল অংগনবাড়ী কেন্দ্ৰৰ গৃহৰ মেৰামতিৰ কামৰ আধাৰশিলা স্থাপন কৰে। একেই বৰ্ষৰ একেই আঁচনিৰ ১ লাখ ৭৫ হাজাৰ টকা ব্যয়ৰে ৪নং ভাণ্ডাৰা মডেল অংগনবাড়ী কেন্দ্ৰৰ মেৰামতিৰ কামৰ আধাৰশিলা স্থাপন কৰে। একেদৰে ২০২৩-২৪ বৰ্ষৰ পঞ্চদহ বিত্তীয় আয়োগৰ ৫ লাখ টকা ব্যয়ৰে ভাণ্ডাৰা চিচি ব্লক ৰাস্তাৰ পৰা ভাণ্ডাৰা গাঁও লৈ যোৱা কামৰ আধাৰশিলা স্থাপন কৰে। একেই বৰ্ষৰ একেই আঁচনিৰ ২লাখ ৯৫ হাজাৰ টকা ব্যয়ৰে চিচি ব্লক ৰাস্তাৰ পৰা ধীৰাজ আলীৰ ঘৰলৈ যোৱা ৰাস্তাৰ কামৰ আধাৰশিলা স্থাপন কৰে। ২০২২-২৩ বৰ্ষৰ পঞ্চদহ বিত্তীয় আয়োগৰ ৩ লাখ ১৮ হাজাৰ টকা ব্যয়ৰে আজাদ আলীৰ ঘৰৰ পৰা ৩নং ভাণ্ডাৰাৰ কমাৰগাঁওলৈ যোৱা ৰাস্তাৰ কামৰ আধাৰশিলা স্থাপন কৰে। বিধায়কজনে একেদৰে ভাণ্ডাৰাত বিধায়ক উন্নয়ন পুজিৰ ৩ লাখ টকা ব্যয়ৰে ফুটব্ৰীজৰ কামৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰ কংগ্ৰেছী হোৱাৰ পিছতো কোটি কোটি টকাৰ কাম কৰি থকাত ৰাইজৰ মাজত চৰ্চিত হৈ পৰিছে। বিধায়ক আব্দুল বাতিন খন্দকাৰে বুদ্ধিমত্তাৰে অসমৰ ভিতৰতে পিছপৰা সমষ্টিত কোটি কোটি টকাৰ কাম কৰি আছে বুলি একাংশ কংগ্ৰেছ কৰ্মীয়ে মন্তব্য কৰিছে।

# ধ্বংসৰ গৰাহত ৰঙিয়াত ঐতিহাসিক আৰিমত্ত গড়

**ই-সংবাদ, ৰঙিয়া, ১১ ডিচেম্বৰঃ** ৰাজ্যৰ গৌৰৱোজ্জ্বল ইতিহাসৰ সম্পদ হিচাপে চিহ্নিত ৰঙিয়াৰ আৰিমত্ত গড় বেদখলকাৰীৰ কবলত পৰি ক্ৰমাৎ নিঃচিহ্ন হোৱাৰ উপক্ৰম হৈছে। ৰঙিয়াৰ জামতোলালৈ সামৰি থকা ইতিহাস প্ৰসিদ্ধ আৰিমত্ত গড়টোৰ নিশাৰ ভিতৰতে মাটি খনন কৰি ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ অপচেষ্টা চলাই আহিছে একাংশ দুষ্কৃতিকাৰীয়ে। স্থানীয় ইটা ভাটাৰ পৰা আৰিমত্ত গড় হৈ মূল পথলৈ যোৱাৰ বাবে দুষ্ট চক্ৰটোৱে গড়টো কাটি ধ্বংস কৰাত নিঃচিহ্ন হোৱাৰ পথলৈ ধাৱমান হৈছে প্ৰাচীন কীৰ্তিচিহ্নটো। যাৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া সমষ্টিৰ স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু ৰঙিয়া সমজিলা প্ৰশাসনৰ বিৰুদ্ধে গুৰুত্বহীনতাৰ অভিযোগ উত্থাপন কৰিছে মধ্য পাগুৱী আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ লগতে স্থানীয় ৰাইজে। উল্লেখ্য যে কেইবা শতিকা পূৰ্বে ৰজা বৈদ্যদেৱ আৰু আৰিমত্তই নিজৰ ৰাজ্যৰ সুৰক্ষাৰ বাবে গড়টো নিৰ্মাণ কৰিছিল। ঐতিহাসিক সমল থকা এই গড়টোৰ বহু ঠাই এতিয়া বেদখলকাৰীৰ কবলত। যদিহে সোনকালে ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেতিয়া হ'লে হয়তো কালৰ গৰ্ভত হেৰাই যাব ঐতিহাসিক আৰিমত্ত গড়টো।

# শান্তিনগৰত চৰকাৰী ভূমি বেদখল গাঁও প্ৰধান হৰিলাল দাসৰ, স্থানীয় ৰাইজৰ প্ৰতিবাদ

**ই-সংবাদ, জাগীৰোড, ১১ ডিচেম্বৰঃ** সন্দেহযুক্ত নাগৰিক নহয়, চৰকাৰী ভূমিত চকু চৰকাৰী গাঁওপ্ৰধানৰ। চৰকাৰী ভূমি বেদখল কৰি গাঁওপ্ৰধানে সাজিছে পকীঘৰ। গুৰু গোঁসাই নমনা গাঁওপ্ৰধান হৰিলাল দাসৰ বিৰুদ্ধে গৰজি উঠিছে স্থানীয় ৰাইজ। ইয়াকে লৈ জাগীৰোডৰ শান্তিনগৰত সৃষ্টি হৈছে অশান্তিৰ। হয়, এগৰাকী চৰকাৰী গাঁওপ্ৰধানৰ কৰ্মকাণ্ডই জোকাৰিছে জাগীৰোডৰ শান্তিনগৰ অঞ্চল। সীতা দেউৰী নামৰ এগৰাকী খিলঞ্জীয়া বিধৱা মহিলাৰ ভূমি বেদখলেৰে গাঁওপ্ৰধান হৰিলাল দাসে সাজিছে পকীঘৰ। নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি স্থানীয় লোকক দিছে ভাবুকি, তৰিছে গোচৰো। ক্ষমতাৰ ৰাগিত মাতাল এইগৰাকী চৰকাৰী গাঁওপ্ৰধান হৰিলাল দাসে কেৰেপ নকৰে স্থানীয় লোক বা আৰক্ষী প্ৰশাসনকো। মাটিৰ মালিকৰ অজ্ঞাতে নিজৰ নামত জালিয়াতিৰে নামজাৰি কৰি নিৰ্বিঘ্নে নিৰ্মাণকাৰ্য চলাই গৈছে গাঁওপ্ৰধান হৰিলাল দাসে। এই কথা অৱগত হোৱাৰ পিছতে বুধবাৰে ওলাই আহিছে মাটিৰ প্ৰকৃত গৰাকী আৰু অঞ্চলটোৰ ৰাইজ। হাতে হাতে চিপৰাং লৈ মাটিৰ মালিকে এফালৰ পৰা ভাঙিছে পকী দেৱাল আৰু ঘৰ। গাঁওপ্ৰধান হৰিলাল দাসে বেদখল কৰা ভূমি ৰাইজৰ সহযোগত উচ্ছেদ কৰিছে মাটিৰ প্ৰকৃত মালিকে। দুৰ্নীতি আৰু অনিয়মেৰে সম্পত্তিৰ পাহাৰ গঢ়া এইগৰাকী চৰকাৰী গাঁওপ্ৰধানৰ আন বহু কু-কীৰ্তিত অতিষ্ঠ হৈছে স্থানীয় ৰাইজ। সেয়ে ক্ষোভিত ৰাইজে দিলে হৰিলাল দাস গ' বেক, গাঁওপ্ৰধানৰ মইমতালি নচলিব, হৰিলাল দাস মুৰ্দাবাদ ধ্বনি। অতি শীঘ্ৰে বিষয়টোৰ তদন্ত কৰি গাঁওপ্ৰধান হৰিলাল দাসক বৰ্খাস্ত কৰাৰ দাবী তুলিছে গাঁৱৰ ৰাইজে। বিষয়টো গুৰুত্বসহকাৰে ল'বলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী পীযুষ হাজৰিকাক আহ্বান জনাইছে সকলোৱে।

## চৰাইদেউ জিলাত ধান ক্ৰয় প্ৰক্ৰিয়া ত্বৰান্বিত কৰা সন্দৰ্ভত বৈঠক সম্পন্ন

**ই-সংবাদ, সোণাৰি, ১১ ডিচেম্বৰঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত চলিত বিত্তীয় বৰ্ষৰ অধীনত ধান ক্ৰয় কেন্দ্ৰ(Paddy Procurement Centre)ৰ জৰিয়তে ধান ক্ৰয় প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত জিলা আয়ুক্তগৰাকীয়ে আগন্তুক ধান ক্ৰয় ব্যৱস্থাপনা সূচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহৰ সম্পৰ্কে পুংখানুপুংখ আলোচনা কৰে। তেওঁ এই সন্দৰ্ভত জিলাখনৰ কৃষকসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষীপ্ৰতৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে, চলিত বৰ্ষৰ বাবে নিৰ্ধাৰিত জিলখনৰ ১৫০০ মেট্ৰিক টন ধান ক্ৰয়ৰ মুঠ লক্ষ্যৰ ভিতৰত সোণাৰিৰ পথালগড়স্থিত ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ১০০০ মেট্ৰিক টন ধান আৰু সাপেখাতিৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় প্ৰাংগণস্থিত ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ৫০০ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য স্থিৰ কৰা হৈছে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত(কৃষি) শ্ৰাৱণা সোণোৱাল, সহকাৰী আয়ুক্ত বৰ্ষা শইকীয়া, জিলা কৃষি বিষয়া ৰবীন ৱেইন প্ৰমুখ্যে সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকল উপস্থিত থাকে।

## ভৰলুৱা গাঁৱত সত্ৰাধিকাৰ শ্ৰী শ্ৰী পিতাম্বৰ দেৱ গোস্বামীৰ দ্বাৰা ভাগৱত পাঠৰ শুভ উদ্বোধন

**ই-সংবাদ, আমগুৰি, ১১ ডিচেম্বৰঃ** শিৱসাগৰ জিলাৰ নামতি সমীপৰ কালুগাঁও ভৰলুৱা গাঁৱত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ভাগৱত পাঠ অনুষ্ঠানৰ আজি উদ্বোধন কৰা হয়। ১১ আৰু ১২ ডিচেম্বৰত ভৰলুৱা গাঁৱৰ বৰনামঘৰত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানটোত আজি পুৱাৰ ভাগত নাম প্ৰসংগৰে আৰম্ভণি কৰে। ইয়াৰ পাছতেই মাজুলীৰ শ্ৰী শ্ৰী আউনী আটীৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী শ্ৰী পিতাম্বৰ দেৱ গোস্বামীয়ে ভাগৱত পাঠ অনুষ্ঠানৰ শুভ উদ্বোধন কৰে। ইফালে, পৰম পূজ্যস্পদ পিতাম্বৰ দেৱ গোস্বামী



গাঁওখনত প্ৰৱেশ কৰাৰ লগে লগে গাঁওবাসীয়ে তেওঁক গায়ন-বায়নে উষ্ম আদৰণি জনায়। আনহাতে, দ্বিতীয় দিনা পুৱাৰ ভাগতে ভাগৱত পাঠৰ সফল সামৰণি পৰিব। লগে লগে পুনৰ নাম প্ৰসংগ অনুষ্ঠিত হ'ব।

## সদৌ অসম সৎ সনাতন বৈষ্ণৱ সংঘৰ গোলাঘাট জিলা সমিতি গঠন

**ই-সংবাদ, খুমটাই, ১১ ডিচেম্বৰঃ** গোলাঘাট জিলাৰ ৰঙাগড়াত বিৰাজ কৰিছে ভক্তিভৰা পৰিৱেশ। সদৌ অসম সৎ সনাতন বৈষ্ণৱ সংঘৰ গোলাঘাট জিলা সমিতি গঠনৰ উপলক্ষে বিৰাজ কৰিছে এই পৰিৱেশ। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অনুষ্ঠানলৈ আহিছে ভকত-বৈষ্ণৱসকল। দিনাজোৰা কাৰ্যসূচীৰে ৰঙাগড়াৰ ৰাধা গোবিন্দ যুগল আশ্ৰমত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত ভক্তিৰসত বিলীন হয় সকলো। বাগিচাই বাগিচাই সৎ সনাতন ধৰ্ম প্ৰচাৰ পৰি থকা সকলো বৈষ্ণৱ একত্ৰিত হয় অনুষ্ঠানটিত। সদৌ অসম সৎ সনাতন বৈষ্ণৱ সংঘৰ কেন্দ্ৰীয় সভাপতি তথা বিষয়ববীয়াক ভক্তিভাৱেৰে আদৰি আনে উদ্যোক্তাসকলে। এই অনুষ্ঠানতে ৰামধন কুমাৰক সভাপতি আৰু অনিৰুদ্ধ কৰ্মকাৰক সম্পাদক হিচাপে লৈ সৎ সনাতন বৈষ্ণৱ সংঘৰ এখন শক্তিশালী গোলাঘাট জিলা সমিতি গঠন কৰা হয়। অনাগত দিনত সৎ সনাতন ধৰ্ম ৰক্ষাৰ বাবে সদায় কাম কৰি যোৱাৰ কথা জানিবলৈ দিয়ে কেন্দ্ৰীয় সভাপতিয়ে।

## দৌলাশালত ৰাজহুৱা শৌচালয় মুকলি জিলা আয়ুক্ত বৰ্ণালী ডেকাৰ

**ই-সংবাদ, মুকালমুৱা, ১১ ডিচেম্বৰঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত দৌলাশাল গাঁৱত বুধবাৰে ৰাজহুৱা শৌচালয় আনুষ্ঠানিকভাৱে মুকলি কৰে নলবাৰী জিলাৰ আয়ুক্ত বৰ্ণালী ডেকাই। দৌলাশাল-লাৰকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত দৌলাশালৰ হৰিমন্দিৰৰ চৌহদত পঞ্চদশ বিত্তীয় আয়োগৰ বেংকত জমা থকা ধনৰ সুদৰ টকাৰে নিৰ্মাণ কৰা হৈছে ৰাজহুৱা শৌচালয়টো। ৰাজহুৱা শৌচালয়টো মুকলি কৰি জিলা আয়ুক্ত বৰ্ণালী ডেকাই কয় যে দৌলাশাল গাঁৱৰ এটি দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান হ'ল। শৌচালয়টো ভালদৰে ব্যৱহাৰ কৰিবলৈ ৰাইজক আহ্বান জনালে জিলা আয়ুক্তগৰাকীয়ে। শৌচালয়টোৰ নিৰ্মাণ কাৰ্যৰ ওপৰত সন্তুষ্ট ব্যক্ত কৰি নিৰ্মাণ সমিতিক ধন্যবাদ জ্ঞাপন কৰে জিলা আয়ুক্ত বৰ্ণালী ডেকাই। শৌচালয় মুকলি অনুষ্ঠানত বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া প্ৰকাশ বৰ্মন, দৌলাশাল-লাৰকুছি গাঁও পঞ্চায়তৰ সচিব মনোৰঞ্জন বায়ন, দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি-সম্পাদক ক্ৰমে প্ৰেমেশ্বৰ বৈশ্য আৰু বনজিৎ বৈশ্য, বিৰিণা গোষ্ঠী-অসমৰ ভাৰপ্ৰাপ্ত সভাপতি বাবুল বণিক্যৰ উপৰি কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। দৌলাশাল উন্নতি সাধিনী সভাৰ সভাপতি প্ৰেমেশ্বৰ বৈশ্যই দৌলাশাল গাঁৱৰ কেইবাটাও সমস্যা সমাধানৰ বাবে জিলা আয়ুক্তগৰাকীক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। দৌলাশাল উন্নতি সাধিনী সভাৰ তৰফৰ পৰা জিলা আয়ুক্ত বৰ্ণালী ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

# ধূপধৰাত প্ৰশাসনে উৎখাত কৰিলে চৈধ্যটাকৈ অবৈধ ইটাভাটা

**ই-সংবাদ, ধূপধৰা, ১১ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অব্যাহত আছে অবৈধভাৱে নিৰ্মাণ কৰা ইটাভাটা। অৱশ্যে প্ৰশাসনে এনে ইটাভাটাসমূহৰ বিৰুদ্ধে অভিযান চলাই উৎখাত কৰি আহিছে। জিলাখনৰ ৰংজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত ধূপধৰাৰ চেলাবড়ীত আজি কেবাটাও অবৈধ ইটাভাটা প্ৰশাসনে উৎখাত কৰে। জানিব পৰা মতে, চৰকাৰী নীতি উলংঘা কৰি চেলাবড়ী অঞ্চলত নিৰ্মাণ কৰা চৈধ্যটাকৈ ইটাভাটা এক্সকেভেটৰৰ সহায়েৰে প্ৰশাসনে ধ্বংস কৰে। ৰংজুলি ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত বনকৰ্মী আৰু স্থানীয় আৰক্ষীৰ সহযোগত অভিযান চলাই এই ইটাভাটাসমূহ ধ্বংস কৰা হয়। উল্লেখ্য যে কিছুদিন পূৰ্বে অবৈধ ইটা ভাটাত প্ৰশাসনে ৰংজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত টিপলাই আৰু আন বিভিন্ন স্থানত অভিযান চলাই ১১ টাকৈ অবৈধ ইটাভাটা ধ্বংস কৰিছিল।

# অৰুণোদয় ৩.০ৰ হিতাধিকাৰী বাচনি প্ৰক্ৰিয়াৰ প্ৰশিক্ষণ

**ই-সংবাদ, বিলাসীপাৰা, ১১ ডিচেম্বৰঃ** ধুবুৰী জিলা আৰু বিলাসীপাৰা সমজিলা প্ৰশাসনৰ উদ্যোগত স্থানীয় প্ৰতিমা পাণ্ডে বৰুৱা প্ৰেক্ষাগৃহত বুধবাৰে দিনৰ ২ বজাত অসম চৰকাৰৰ অৰুণোদয় ৩.০ৰ হিতাধিকাৰী বাচনি কমিটীৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উল্লেখ্য যে ১০নং বিলাসীপাৰা বিধানসভাৰ প্ৰত্যেকটো ভোটকেন্দ্ৰৰ অন্তৰ্গত নডেল বিষয়া আৰু গাঁও পঞ্চায়তৰ সম্পাদকৰ সৈতে ৪ জনীয়া বাচনি কমিটীৰ সদস্যসকলে ১৫-২৮ ডিচেম্বৰলৈ অৰুণোদয় সপ্তাহ সভা অনুষ্ঠিত কৰি হিতাধিকাৰী বাচনি প্ৰক্ৰিয়া সম্পাদন কৰিব লাগিব। উক্ত প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকি ধুবুৰী জিলা আয়ুক্ত দিবাকৰ নাথে অৰুণোদয় ৩.০ আঁচনিৰ হিতাধিকাৰী বাচনি প্ৰক্ৰিয়া নিকা তথা তথ্যসমৃদ্ধ কৰাৰ বাবে প্ৰয়োজনীয় নীতি-নিৰ্দেশনাসমূহ সভাত উপস্থিত বাচনি সমিতিৰ সদস্যসকলৰ আগত পুংখানুপুংখভাৱে অৱগত কৰে। উক্ত সভাত উপস্থিত থাকে বিলাসীপাৰা সমজিলাৰ আয়ুক্ত সৃষ্টি সিং আৰু সহকাৰী আয়ুক্ত ডেভিডচন দৈমাৰী।

# মুখ্যমন্ত্ৰীৰ ছিগনেচাৰ প্ৰজেক্টত নিৰ্মাণ হোৱাৰ পাছতো উপযোগী হৈ নুঠিল টিংৰাই ৰাজহুৱা খেলপথাৰ

**ই-সংবাদ, ডুমডুমা, ১১ ডিচেম্বৰঃ** বিদেশী বহিস্কাৰ অসম আন্দোলনত শ্বহীদ হোৱা জাতীয় বীৰ শ্বহীদসকলৰ পবিত্ৰ সোঁৱৰণত টিংৰাই আঞ্চলিক ছাত্ৰ সন্থাই ১৯৮৬ চনৰ ১৫ আগষ্টৰ পৰা 'শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা' নামেৰে এখন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। প্ৰতিযোগিতাখনৰ গৌৰৱোজ্জ্বল ৩৮ সংখ্যক বৰ্ষটি বিশেষ কাৰ্যসূচীৰে যোৱা ৮ ডিচেম্বৰৰ পৰা অহা ১৫ ডিচেম্বৰলৈকে টিংৰাইৰ সমীপৰ বগাপানী চাহ বাগিচা খেলপথাৰত টিংৰাইবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত কৰিছে প্ৰতিযোগিতাৰ আয়োজক টিংৰাই শাখা ছাত্ৰ সন্থাই। উল্লেখ্য যে, টিংৰাই শাখা ছাত্ৰ সন্থাই ১৯৮৬ চনৰে পৰা অসম আন্দোলনৰ বীৰ শ্বহীদৰ পবিত্ৰ সোঁৱৰণত অনুষ্ঠিত কৰি অহা 'শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতা'খন টিংৰাই হাইস্কুল খেলপথাৰত আৰু পৰৱৰ্তী ২০১১ চনৰে পৰা টিংৰাই ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত কৰি আহিছে। কিন্তু বিগত দুটা বৰ্ষত খেলপথাৰখন নিৰ্মাণ হেতুকে বগাপানী চাহ বাগিচাৰ খেলপথাৰত অনুষ্ঠিত কৰি আহিবলগীয়া হৈছে যদিও এই বৰ্ষত টিংৰাই ৰাজহুৱা খেলপথাৰত ৩৮ সংখ্যক শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিবলৈ খেলপথাৰ পৰিচালনা সমিতিক এখন পত্ৰৰ যোগেদি অনুমতি বিচাৰাত খেলপথাৰ পৰিচালনা সমিতিৰ দায়িত্বত থকা সম্পাদকদ্বয়ে প্ৰথমে ৭ হাজাৰ টকা ভাড়া দিবলৈ আহ্বান জনায়। ৰাইজৰ সহায়-সহযোগ তথা দান-বৰঙণিৰে বিগত ৩৭ টা বছৰে প্ৰতিযোগিতাখন অনুষ্ঠিত কৰি অহা এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিবলৈ ৭ হাজাৰ টকা দিবলৈ অসমৰ্থ বুলি আছুৰে অৱগত কৰাত সম্পাদকদ্বয়ে আলোচনা কৰি পুনৰ ৭ হাজাৰ নোৱাৰিলে ৫ হাজাৰ দিবই লাগিব বুলি অৱগত কৰে। অন্যথা অনুমতি দিব পৰা নাযাব বুলি ইংগিত প্ৰদান কৰে। এই বিষয়ে টিংৰাই শাখা ছাত্ৰ সন্থা আৰু অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়া সকলোৱে আলোচনা কৰি শেষত প্ৰতিযোগিতাখন স্থানীয় বগাপানী চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত টিংৰাই শাখা ছাত্ৰ সন্থাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে সংবাদ মাধ্যমলৈ এক বিবৃতি প্ৰেৰণ কৰি কয় যে ৭ হাজাৰ, ৫ হাজাৰকৈ টকা ভাড়া বিচৰা কাৰ্যটো শাখাই মানি ল'ব পৰা নাই আৰু দিবলৈও সমৰ্থ নহয়। এটা অঞ্চলত এখন ৰাজহুৱা খেলপথাৰ থকাৰ পাছতো কোনো প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ বছৰি বছৰি হাজাৰ হাজাৰ টকা ভাড়া দিবলৈ টিংৰাই আছু সক্ষম নহয়। গতিকে এই কাৰ্যক আছুৰে বিৰোধীতা কৰে আৰু হাজাৰ হাজাৰ টকা ভাড়াৰ নামত কিয় লোৱা হয় সেই বিষয়টো ৰাজহুৱা কৰিবলৈ খেলপথাৰ পৰিচালনা সমিতিক সজোৰে দাবী জনায়। সন্থাই লগতে কোনো ধৰণৰ ৰাজহুৱা সভা-সমিতি অনুষ্ঠিত নকৰাকৈ টিংৰাই ৰাজহুৱা খেলপথাৰখনৰ পৰিচালনা সমিতিখন গঠন কৰাৰ অভিযোগো উত্থাপন কৰে। সাধাৰণতে এখন ৰাজহুৱা খেলপথাৰ পৰিচালনা কৰিবলৈ অঞ্চলটোৰ সকলো সচেতন ব্যক্তি, ক্ৰীড়া সংগঠন, ছাত্ৰ সংগঠন আদিক লৈ ৰাজহুৱা সভাৰ যোগেদি পৰিচালনা সমিতি গঠন কৰিব লাগে যদিও সেয়া টিংৰাই ৰাজহুৱা খেলপথাৰ ক্ষেত্ৰত হোৱা দেখা নগ'ল বুলিও বিবৃতিত উল্লেখ কৰে। নিজৰ নিজৰ পচন্দৰ ১০-১৫ জন ব্যক্তিয়ে পদবীসমূহ ভাগ-বটৰা কৰি লৈ নিজস্ব চিন্তা-ধাৰাৰে খেলপথাৰ পৰিচালনা সমিতিখন চলাই থকাৰ এক ৰাজহুৱা অভিযোগো উত্থাপন কৰে শাখা ছাত্ৰ সন্থাই। ডিগবৈ সমষ্টিৰ বিজেপিৰ বিধায়ক সুৰেন ফুকনক সভাপতি, লাচিত মৰাণ আৰু বগাধৰ মৰাণক যুটীয়া সম্পাদক হিচাপে লৈ গঠন হোৱা এই সমিতিয়ে সম্প্ৰতি যিধৰণৰ নীতি অৱলম্বন কৰিছে সেই নীতিৰ বিৰোধীতা কৰে টিংৰাই আছুৰে। উল্লেখ্য যে, চলিত বৰ্ষত শ্বহীদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিবলৈ লোৱা অভ্যৰ্থনা সমিতিয়ে দুইৰ পৰা তিনি হাজাৰ টকা দিয়াৰ কথা কোৱা হৈছিল যদিও খেলপথাৰ পৰিচালনা সমিতিখনে মান্তি নহ'ল। বিপৰীতে চলিত বৰ্ষৰ জুলাই মাহত মুণ্ডামহাসভা, ডিগবৈ আঞ্চলিক সমিতিয়ে মহিলা ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ নামত ৫ হাজাৰ টকা প্ৰদান কৰা বুলিহে অৱগত কৰে। গুৰুত্বপূৰ্ণ কথাটো এয়ে যে এই ভাড়া সংগ্ৰহৰ নামত কাকো কোনো ধৰণৰ প্ৰাপ্তি ৰচিদ দিয়া নহয় খেলপথাৰ পৰিচালনা সমিতিৰ ফালৰ পৰা। উল্লেখ্য যে, এই খেলপথাৰ আৰু ষ্টেডিয়ামৰ লাইট ব্যৱহাৰ কৰি কোনো ব্যক্তিয়ে নিজৰ ব্যক্তিগত তথা ঘৰুৱা অনুষ্ঠান কিছুদিনৰ পূৰ্বে তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা বুলি টিংৰাই শাখা ছাত্ৰ সন্থাই উল্লেখ কৰি সেই ব্যক্তিগত ঘৰুৱা শ্ৰাদ্ধৰ অনুষ্ঠান পাতিবলৈ ক'ৰ পৰা অনুমতি প্ৰদান কৰিলে তাক ৰাজহুৱা কৰিবলৈ দাবী জনায়। উল্লেখ্য যে, গো-চৰণীয়া পথাৰ হিচাপে পৰিচিত ভূমিক ৰাজহুৱা খেলপথাৰলৈ পৰিৱৰ্তিত কৰাৰ ক্ষেত্ৰত সেই সময়ত আগভাগ লোৱা স্থানীয় যুবক পংকজ বৈদ্য আৰু গোপাল দাসৰ লগতে আন আন ব্যক্তিসকলেও কাৰাবাস খাটিব লগা হৈছিল। তেনেস্থলত সেইসকল স্থানীয় ব্যক্তিৰ ত্যাগক ভেঙুচালি কৰি সম্প্ৰতি একাংশই ৰাজনৈতিক ক্ষমতাত বলীয়ান হৈ খেলপথাৰখন নিজৰ মইমতালিৰে পৰিচালনা কৰাটো অঞ্চলটোৰ বাবে অতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনক বিষয় বুলি উল্লেখ কৰি প্ৰকৃততে ক্ৰীড়া প্ৰতিভাসমূহ বিকশিত কৰাৰ ক্ষেত্ৰত এইসকল ব্যক্তিয়ে অসচেতনতাৰে নিজৰ মনোভাৱ ব্যক্ত কৰি অঞ্চলটোকে পিছুৱাই নিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাত সচেতন মহলে দুখ প্ৰকাশ কৰা বুলি কৈ এখন খেলপথাৰত প্ৰকৃততে ক্ৰীড়া অনুষ্ঠিত কৰি ক্ৰীড়া প্ৰতিভাসমূহ বিকশিত কৰাটোৱে মূল লক্ষ্য হোৱা উচিত বুলি কয় টিংৰাই শাখা ছাত্ৰ সন্থাই।

# নাৰায়ণা টেকন’ বিদ্যালয়ত আন্তঃ বিদ্যালয় ফুটবল

**গুৱাহাটী, ১১ ডিচেম্বৰঃ** গুৱাহাটীৰ দক্ষিণ গাঁৱত অৱস্থিত নাৰায়ণা ই-টেকন’ বিদ্যালয়ত যোৱা ১০ ডিচেম্বৰত এখন আন্তঃবিদ্যালয় ফুটবল খেল অনুষ্ঠিত হৈ যায়। গুৱাহাটীৰ আগশাৰীৰ দহখন বিদ্যালয়ৰ দহটা দলে এই প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। পুৱা ঠিক ন-বজাৰ লগে লগে বিদ্যালয়ৰ অধ্যক্ষা এন. শ্ৰীচা দেৱীয়ে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে প্ৰতিযোগিতাখনৰ শুভ উদ্বোধন কৰে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ওদালবাক্ৰা আৰক্ষী চকীৰ উপ-পৰিদৰ্শক লীলা প্ৰসাদ শৰ্মা। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক বহুমূলীয়া ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত খেল-ধেমালিৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। ইয়াৰ পিছতে খেলসমূহ অনুস্থিত হয়। “মা ভাৰতী স্পৰ্টিং ক্লাব আৰু গুৱাহাটী চিটি এফ.চিৰ মাজত ফাইনেল খেলখন অনুষ্ঠিত হয় আৰু মা ভাৰতী স্পৰ্টিং ক্লাবে ১২-৭ গ’লত বিজয়ীৰ খিতাপ দখল কৰে। প্ৰতিযোগিতাৰ শেষত বিদ্যালয়ৰ ডি.জি.এম নাগেশ্বৰ ৰাওৱে প্ৰতিযোগিতাখন সুকলমে পৰিচালিত কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# বাঘমাৰা সমবায় সমিতিৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচন

**ই-সংবাদ, শিমলীতোলা, ১১ ডিচেম্বৰঃ** বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ ২০২৫-২০৩০ বৰ্ষৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচন অহা ২৯ ডিচেম্বৰত দিনৰ ৯ বজাত বাঘমাৰা চৰ গাঁও পঞ্চায়ত সমবায় সমিতি লিঃৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত এক জাননী জাৰি কৰিছে সভাপতি শুকুৰ আলী আৰু সম্পাদক ৰিপন আলী সৰকাৰে। উল্লেখ্য যে নিৰ্বাচনৰ মনোনয়ন পত্ৰ জমা দিয়াৰ অন্তিম তাৰিখ ১৬ ডিচেম্বৰৰ পৰিবৰ্তে ১৯ ডিচেম্বৰৰ পুৱা ১০.০০ বজাৰ পৰা আবেলি ১ বজালৈ। প্ৰাৰ্থীয়ে জমা দিয়া মনোনয়ন পত্ৰ উক্ত দিনাই নিৰ্বাচনী বিষয়াই মনোনয়ন পত্ৰৰ বৈধতা পৰীক্ষা কৰি ঘোষণা কৰিব। যিসকল প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব বিচাৰে তেওঁলোকে মনোনায়ন পত্ৰ পূৰ্বৰ ১৮ তাৰিখৰ বিপৰীতে ২১ ডিচেম্বৰত দিনৰ ১ বজাৰ ভিতৰত প্ৰত্যাহাৰ কৰিব পাৰিব। উক্ত দিনাই মনোনয়ন পত্ৰ বৈধ প্ৰাৰ্থীসকলক নিৰ্বাচনী বিষয়াই প্ৰাৰ্থীৰ আবেদন মৰ্মে প্ৰতীক চিহ্ন প্ৰদান কৰিব বুলি উল্লেখ কৰা হৈছে।



ভাৰতীয় মহিলা ক্ৰিকেট দলক পৰাস্ত কৰি অষ্ট্ৰেলিয়াৰ মহিলা ক্ৰিকেট দলৰ উল্লাখ, পাৰ্থত বুধবাৰে

## শিৱসাগৰত অভিযোগ দাখিল জ্যেষ্ঠ সাংবাদিকৰ

# ‘তোমাৰ নাম কি’ শীৰ্ষক বিজ্ঞাপনক লৈ সৰৱ সাংবাদিক

**ই-সংবাদ, শিৱসাগৰ, ১১ ডিচেম্বৰঃ** তোমাৰ নাম কি? এই বাক্য লিখা হৰ্ডিং, পোষ্টাৰ বিভিন্ন প্ৰান্তত আঁৰি পুনৰ চৰ্চালৈ অহা এটা চিমেণ্ট কোম্পানীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে শিৱসাগৰৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক। সাংবাদিকজনে কয় যে, এই বিজ্ঞাপনে পৰিৱেশৰ যথেষ্ট আঘাত হানিছে। যাৰ বাবে পৰিৱেশ সচেতেন শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিকগৰাকী আজি কাষ চাপে শিৱসাগৰ জিলা বন বিষয়াৰ। পিছে কেনেকৈ পৰিৱেশ বিনষ্ট কৰিছে এই বিজ্ঞাপনে? সাংবাদিকগৰাকীয়ে কয় যে পৰিৱেশ সু-নিয়ন্ত্ৰিত কৰি ৰখাত অন্যতম সহায়কাৰী গছ-গছনি সমূহত আঘাত হানিছে ‘কি নাম তোমাৰ’ বাক্য লিখা হৰ্ডিং, পোষ্টাৰে। শিৱসাগৰৰ ভিন্ন প্ৰান্তত থকা বহু গছ-গছনিত গজাল মাৰি মাৰি হৰ্ডিং, পোষ্টাৰ লগাই দিয়া হৈছে। যাৰ বাবে আজি কোম্পানীটোৰ এই কাণ্ডত উদ্বিগ্নতা প্ৰকাশ কৰি শিৱসাগৰ জিলা বন বিষয়াক এখন আবেদন পত্ৰ প্ৰদান কৰে সাংবাদিক মুজাহিদ আলিয়ে। গছ-গছনিত গজাল মাৰি, গছবোৰৰ ক্ষতি কৰি হৰ্ডিং লগোৱা কাম কেতিয়াও গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি এইক্ষেত্ৰত বিহিত ব্যৱস্থা ল’বলৈ আবেদন জনাইছে সাংবাদিক মুজাহিদ আলিয়ে। ইতিমধ্যেই পথ নিৰ্মাণৰ নামত, পথ বহলীকৰণৰ নামত লাখ লাখ গছ কাটি শেষ কৰিছে। থকা গছ গছনি বিলাকতো এনেধৰণৰ উপদ্ৰৱ চলোৱা কাৰ্য কেতিয়াও সমীচিন নহয় আৰু পৰিৱেশৰ প্ৰতি এয়া ভাবুকি বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সাংবাদিকগৰাকীয়ে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি